Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, MARCH 05, 2025 ■ বুধবাৰ, ২০ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৬৮ Guwahati, Assam ।। মূল্যঃ এটকা

**অশোক সিংঘলৰ উগ্ৰ সাম্প্ৰদায়িক মন্তব্য**



বিতং বাতৰি ৭ পৃষ্ঠাত

## দেশৰ স্বাস্থ্য খণ্ডত চৰকাৰী ভূমিকাক তীক্ষ্ণ সমালোচনা উচ্চতম ন্যায়ালয়ৰ

# দৰিদ্ৰক সুলভ ঔষধ, চিকিৎসা প্ৰদানত ব্যৰ্থ চৰকাৰ

### একপ্ৰকাৰ ব্যক্তিগত খণ্ডক অৰ্পণ স্বাস্থ্যখণ্ড

**ব্যক্তিগত হাস্পতালে নিজৰ ফাৰ্মাচীৰ পৰা দামী ঔষধ ক্ৰয় কৰিবলৈ হেঁচা দিয়াৰ অভিযোগ**

**নতুন দিল্লী, ৪ মাৰ্চঃ** ৰাজ্য চৰকাৰৰ ব্যৰ্থতাৰ বাবেই ক্ৰমাৎ ব্যক্তিগত খণ্ডৰ হাস্পতালৰ হাতলৈ গৈছে দেশৰ স্বাস্থ্য আন্তঃগাঁথনি। সাধাৰণ জনতাৰ বাবে চিকিৎসা ব্যয় ডাঙৰ চিন্তাৰ কাৰণ হৈ পৰিছে, অথচ এই সন্দৰ্ভত শেষাংশ ২ পৃষ্ঠাত



ৰাজ্যজুৰি স্বাস্থ্য কৰ্মীৰ প্ৰতিবাদ, ফটোঃ ই-সংবাদ, গোলকগঞ্জ

## অখিল গগৈ অসমীয়া নহয়, থাইলেণ্ডৰহে

**ই-সংবাদ, ৪ মাৰ্চঃ** একালৰ বদৰুদ্দিন আজমল আৰু অসমত বসবাস কৰা বঙালীভাষী ৫ পৃষ্ঠাত চাওক

## অসমত হ'ব বাঁহৰ অট্টালিকা, কেবিনেটৰ বিশেষ সিদ্ধান্ত

**ই-সংবাদ, ৪ মাৰ্চঃ** আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৪ পৃষ্ঠাত চাওক

## ফড়নবিছ চৰকাৰৰ মন্ত্ৰীৰ পদত্যাগ

### এনডিএত আউল

**মুম্বাই, ৪ মাৰ্চঃ** হত্যাকাণ্ডৰ গোচৰত ঘনিষ্ঠ সহযোগীৰ নাম সাঙোৰ খাই পৰাৰ পিছতে মহাৰাষ্ট্ৰৰ চৰকাৰৰ মন্ত্ৰী পদ এৰিলে শেষাংশ ৩ পৃষ্ঠাত

## অশোক সিংঘলৰ বিৰুদ্ধে ভাওনাক অপমানৰ অভিযোগ, ভিত্তিহীন বুলি দাবী মন্ত্ৰীৰ



**ই-সংবাদ, ৪ মাৰ্চঃ** শ্ৰীমন্ত শংকৰদেৱৰ অনুপম সৃষ্টি অংকীয়া নাট ভাওনা অবিহনে অসমীয়া জাতি আধৰুৱা। জগতগুৰু শ্ৰীশংকৰদেৱৰ অমৰ সৃষ্টি ভাওনাক তীব্ৰ তাচ্ছিল্য কৰিবলৈ মৰসাহ কৰিছে মন্ত্ৰী অশোক সিংহলে। শেষাংশ ৩ পৃষ্ঠাত

## গৌৰৱ পত্নীৰ পাক-সংযোগ

## ইণ্টাৰপ'লৰ সহায় লোৱাৰ যো-জা অসম আৰক্ষীৰ



**ই-সংবাদ বিশেষ, ৪ মাৰ্চঃ** ইণ্টাৰপ'লৰ সহযোগত এলিজাবেথ কলবাৰ্ণ গোচৰৰ তদন্ত কৰিব অসম আৰক্ষীয়ে। ৪ পৃষ্ঠাত চাওক

## স্ম'ক বোমা, ছাৰ্বিয়াৰ সংসদত মহা অঘটন



**বেলগ্ৰেড, ৪ মাৰ্চ,** সংসদৰ অধিৱেশনৰ মাজতে স্ম'ক বোমা আৰু ফ্লেয়াৰৰ আক্ৰমণত উত্তপ্ত হৈ পৰিল ছাৰ্বিয়াৰ ২ পৃষ্ঠাত

## এনএইচএমৰ কৰ্মচাৰীৰ ধৰ্ণাত উত্তাল সমগ্ৰ ৰাজ্য

## হিমন্তৰ প্ৰতিবাদহীন অসমত প্ৰান্তে প্ৰান্তে প্ৰতিবাদ

**ই-সংবাদ, ৪ মাৰ্চঃ** ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজিৰে পৰা ৬ মাৰ্চলৈ এনএইচএম ঠিকাভিত্তিক স্বাস্থ্য কৰ্মচাৰীয়ে অধিকাৰ বিচাৰি ৰাজপথত গণতান্ত্ৰিক সংগ্ৰাম আৰম্ভ কৰিছে। সততে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজিকালি প্ৰতিবাদ, শেষাংশ ৬ পৃষ্ঠাত



### মুখ বন্ধ ৰাখিব অখিল-ভূপেনে

## বিৰোধী ঐক্যৰ কথা কেৱল নাগৰিক সমাজেহে ক'ব

**ই-সংবাদ, ৪ মাৰ্চঃ** নাগৰিক সমাজৰ আহ্বানত শনিবাৰে সোণাপুৰৰ আতিথ্য ৰিজৰ্টত অনুষ্ঠিত বৈঠকৰ পাছতে সামাজিক মাধ্যমত সমালোচনাত্মক স্থিতি শেষাংশ ৭ পৃষ্ঠাত

## 'মিঞা', 'পাকিস্তানী' ক'লেই সেয়া অপৰাধ নহয়

**নতুন দিল্লী, ৪ মাৰ্চঃ** কাৰোবাক 'মিঞা' বা 'পাকিস্তানী' বুলি সম্বোধন কৰাটো আপত্তিজনক হ'ব পাৰে, কিন্তু সেয়া কেতিয়াও অপৰাধ নহয়। মঙলবাৰে এটা গোচৰৰ শুনানিৰ সময়ত এই মন্তব্য কৰে উচ্চতম ন্যায়ালয়ে। আদালতৰ স্পষ্ট বক্তব্য অনুসৰি 'মিঞা' বা 'পাকিস্তানী' সম্বোধনে ধৰ্মীয় আৱেগত আঘাত হনাৰ অভিযোগৰ ৫ পৃষ্ঠাত চাওক

**সহকৰ্মী হৰিনন্দৰ বিৰুদ্ধে আৰটিআই কৰ্মচাৰী ছামছুদ্দিনে উত্থাপন কৰা অভিযোগ খাৰিজ কৰি মন্তব্য সৰ্বোচ্চ আদালতৰ**

## প্ৰশ্ন সুধি সদনৰ পৰা বাহিৰ অখিল গগৈ

### এনপিএছৰ বিৰুদ্ধে সৰৱ

**ই-সংবাদ, ৪ মাৰ্চঃ** আজি ৰাইজৰ দলৰ শিৱসাগৰৰ বিধায়ক অখিল গগৈ এবাৰ প্ৰশ্নোত্তৰ কাল আৰু এবাৰ দিনটোৰ বাবে সদনৰ পৰা বহিষ্কাৰ হয়। শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্ম’ক বোমা, ছাৰ্বিয়াৰ সংসদত

সংসদ। মঙলবাৰে সংসদত সংঘটিত এই উত্তপ্ত পৰিস্থিতিত দেশখনৰ তিনিগৰাকী সাংসদ আহত হয়। আহতসকলৰ এগৰাকী সাংসদৰ অৱস্থা সংকটজনক বুলি ইতিমধ্যে খবৰ প্ৰকাশ পাইছে। উল্লেখ্য যে মঙলবাৰে সংসদৰ অধিৱেশনত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ বাবে পুঁজি বৃদ্ধিৰ বাবে প্ৰস্তাৱিত আইন সন্দৰ্ভত ভোটদানৰ কথা আছিল। কিন্তু বিৰোধী দলসমূহে দাবী কৰে যে এই অধিবেশনখন অবৈধ, কাৰণ তেওঁলোকৰ মতে প্ৰধানমন্ত্ৰী মিলোছ ব্ৰুচেভিচ আৰু তেওঁৰ চৰকাৰৰ পদত্যাগ প্ৰথমে নিশ্চিত কৰা উচিত আছিল। অধিবেশন আৰম্ভ হোৱাৰ প্ৰায় এঘণ্টাৰ পাছত বিৰোধী সাংসদসকলে হুলস্থুল আৰম্ভ কৰে আৰু চৰকাৰ বিৰোধী শ্লোগানসম্বলিত বেনাৰ প্ৰদৰ্শন কৰি প্ৰতিবাদ কৰিবলৈ আৰম্ভ কৰে। এই ঘটনাৰ ভিডিঅ’ ফুটেজত দেখা গৈছে যে প্ৰথমে সংসদৰ সদস্যসকলৰ মাজত সংঘাতৰ সৃষ্টি হয় আৰু তাৰ পিছতে ফ্লেয়াৰ আৰু স্ম’ক বোমা নিক্ষেপ কৰে বিৰোধীয়ে। ছাৰ্বিয়াৰ সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি সংঘাতৰ সময়ত শাসক-বিৰোধী সাংসদসকলে কণী আৰু পানীৰ বটলও নিক্ষেপ কৰে। এই পৰিস্থিতিত তিনিজক সাংসদ আহত হোৱা বুলি নিশ্চিত কৰা হৈছে। ইফালে, সংসদৰ অধ্যক্ষ আনা ব্ৰনাবিচে এই ঘটনাৰ পিছত বিৰোধীক “সন্ত্ৰাসবাদী দল” বুলি অভিহিত কৰি আহত এজন সাংসদৰ অৱস্থা সংকটজনক বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে বিগত কেইবামাহ ধৰি দেশখনত অব্যাহত থকা দুৰ্নীতিবিৰোধী প্ৰতিবাদে ছাৰ্বিয়াৰ ৰাজনৈতিক সংঘাত তীব্ৰতৰ কৰি তুলিছে। নৱেম্বৰ মাহত উত্তৰ ছাৰ্বিয়াৰ এটা ৰে’ল ষ্টেচনত ছাদ খহি ১৫ জনকৈ লোক নিহত হোৱাৰ পিছত এই প্ৰতিবাদৰ সূত্ৰপাত ঘটিছিল। ক্ৰমান্বয়ে এই প্ৰতিবাদে উত্তৰ ছাৰ্বিয়াৰ পৰা সমগ্ৰ দেশলৈ বিয়পি পৰাত জানুৱাৰী মাহত প্ৰধানমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰে ব্ৰুচেভিছে। অৱশ্যে তেওঁৰ পদত্যাগ কাৰ্যকৰী হ’বলৈ সংসদীয় অনুমোদন এতিয়াও প্ৰদান কৰা হোৱা নাই। ব্ৰুচেভিছৰ পদত্যাগৰ পৰিপ্ৰেক্ষিততে বিৰোধী দলসমূহে এই চৰকাৰে নতুন আইন প্ৰণয়নৰ অধিকাৰ হেৰুৱাইছে বুলি দাবী কৰি মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰিবলৈ অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ আহ্বান জনাইছে। কিন্তু ছাৰ্বিয়াৰ শাসকীয় দল আৰু ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ব্ৰুচিচে এই দাবী বাৰে বাৰে নাকচ কৰি আহিছে। ছাৰ্বিয়াৰ সংসদত এই ঘটনাই এতিয়া ইউৰোপৰ দেশসমূহৰ লগতে বিশ্বৰ বহু দেশৰ চৰকাৰক সন্ত্ৰস্ত কৰি তুলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুখীয়াক সুলভ ঔষধ, চিকিৎসা

কাৰ্যতঃ একোৱেই কৰা নাই চৰকাৰে। শেহতীয়াকৈ এক আবেদনৰ শুনানি গ্ৰহণ কৰি ৰাজ্য চৰকাৰসমূহৰ বিৰুদ্ধে এনেদৰেই অসন্তুষ্টি প্ৰকাশ কৰিছে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে। মঙলবাৰে আদালতে স্পষ্ট কৰি দিয়ে যে ৰাজ্য চৰকাৰসমূহে দৰিদ্ৰ লোকসকলক সুলভ মূল্যৰ ঔষধ আৰু চিকিৎসা প্ৰদান কৰাত ব্যৰ্থ হৈছে। ইয়াৰ ফলত ব্যক্তিগত চিকিৎসালয়ৰ প্ৰভাৱ আৰু অধিক বৃদ্ধি পাইছে, য’ত সাধাৰণ লোকে অধিক মূল্যত ঔষধ আৰু চিকিৎসা সামগ্ৰী ক্ৰয় কৰিবলৈ বাধ্য হৈছে। দৰাচলতে মঙলবাৰে এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিৰ সময়ত এই মন্তব্য আগবঢ়ায় উচ্চতম ন্যায়ালয়ে। আবেদনখনত অভিযোগ কৰা হৈছে যে ব্যক্তিগত চিকিৎসালয়ে ৰোগী আৰু তেওঁলোকৰ পৰিয়ালক চিকিৎসালয়খনৰ ভিতৰত অৱস্থিত ফাৰ্মাচীৰ পৰা উচ্চ মূল্যত ঔষধ, ইমপ্লাণ্ট, আৰু অন্যান্য চিকিৎসা সামগ্ৰী ক্ৰয় কৰিবলৈ হেঁচা প্ৰয়োগ কৰিছে। এই অভিযোগৰ পৰিপ্ৰেক্ষিতত ন্যায়াধীশ সূৰ্য্য কান্ত আৰু ন্যায়াধীশ এন কে সিঙৰ বিচাৰপীঠে ৰাজ্যসমূহৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰে। ন্যায়াধীশসকলে কয়, "আপোনাৰ কথাত আমি একমত... কিন্তু ইয়াক কেনেকৈ নিয়ন্ত্ৰণ কৰা হ’ব?" আদালতৰ পৰ্যবেক্ষণত প্ৰকাশ পাইছে যে কেইবাখনো ৰাজ্যই স্বাস্থ্য সেৱাৰ উন্নতিৰ দায়িত্ব পালন নকৰাৰ ফলত ব্যক্তিগত চিকিৎসালয়ৰ অধিক আধিপত্য বিস্তাৰ হৈছে। অৱশ্যে ওড়িশা, অৰুণাচল প্ৰদেশ, ছত্তীশগড়, বিহাৰ, তামিলনাডু, হিমাচল প্ৰদেশ আৰু ৰাজস্থানে এই অভিযোগ খণ্ডন কৰি ঔষধৰ দাম নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা মানি চলা বুলি দাবী কৰে। তদুপৰি একাংশ ৰাজ্যই আবেদনকাৰীৰ স্থিতিক লৈও প্ৰশ্ন উত্থাপন কৰে। তেওঁলোকৰ দাবী, চৰকাৰী চিকিৎসালয়ত কম খৰচী ঔষধৰ দোকান মুকলি কৰা হৈছে, য’ত নিয়ন্ত্ৰিত মূল্যত ঔষধ উপলব্ধ। কিন্তু আদালতে স্পষ্ট কৰি দিয়ে যে বেছিভাগ ৰাজ্যই চৰকাৰী আঁচনিৰ কথা কোৱাৰ বিপৰীতে বাস্তৱত কম খৰচী ঔষধ আৰু চিকিৎসা সেৱা দুখীয়াৰ বাবে সহজলভ্য নহয়। আদালতে কয়, "ৰাজ্য চৰকাৰসমূহে নিজৰ দায়িত্ব পালন কৰা উচিত, কিয়নো সাধাৰণ মানুহৰ স্বাস্থ্যসেৱা কোনো কাৰণতে অৱহেলাৰ বিষয় হ’ব নোৱাৰে।" লক্ষ্যণীয়ভাৱে, অসমৰ স্বাস্থ্যমন্ত্ৰী অশোক সিংঘালে জানুৱাৰী মাহত চৰকাৰী চিকিৎসালয়ৰ চিকিৎসকসকলক হাস্পতালৰ ফাৰ্মাচীত উপলব্ধ ঔষধহে প্ৰেছক্ৰিপচন কৰিবলৈ নিৰ্দেশ দিছিল আৰু জেনেৰিক ঔষধৰ ব্যৱহাৰক উৎসাহিত কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু স্বাস্থ্যমন্ত্ৰীৰ এই নিৰ্দেশৰ বিপৰীতে ৰাজ্যৰ স্বাস্থ্য ব্যৱস্থাৰ বাস্তৱতা সাংঘাতিকভাৱে উদ্বেগজনক হৈ আহিছে। গ্ৰামাঞ্চলৰ চিকিৎসালয়ত অত্যাৱশ্যকীয় ঔষধৰ অভাৱ আৰু চিকিৎসকৰ অভাৱৰ বিভিন্ন খবৰে ইতিমধ্যে খবৰৰ শিৰোনাম দখল কৰি আহিছে। যাৰ ফলত দৰিদ্ৰ লোকসকলে ব্যয়বহুল ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা কৰাবৰ বাবে বাধ্য হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ফড়নবিছ চৰকাৰৰ মন্ত্ৰীৰ

ধনঞ্জয় মুণ্ডেই। মঙলবাৰে দেৱেন্দ্ৰ ফাড়নবিছ চৰকাৰৰ খাদ্য আৰু পৰিসেৱা বিভাগৰ ভাৰপ্ৰাপ্ত ৰাজ্যিক মন্ত্ৰীপদৰ পৰা পদত্যাগ কৰে ধনঞ্জয়ে। উল্লেখ্য যে বিড জিলাৰ মাছাযোগ গাঁৱৰ পঞ্চায়ত প্ৰধান সন্তোষ দেশমুখৰ হত্যাৰ গোচৰত ধনঞ্জয় মুণ্ডেৰ এজন ঘনিষ্ঠ সহযোগীৰ গ্ৰেপ্তাৰৰ পিছতে তীব্ৰ অস্বস্তিৰ সন্মুখীন হৈছিল শাসকীয় শিবিৰ। সূত্ৰৰ পৰা জানিব পৰা মতে, পৰিস্থিতি নিয়ন্ত্ৰণৰ খাতিৰত ধনঞ্জয় মুণ্ডেক পদত্যাগৰ নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে। ইতিমধ্যে তেওঁৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰি ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনলৈ প্ৰেৰণ কৰা হৈছে। উল্লেখ্য যে, যোৱা ৯ ডিচেম্বৰত বিড জিলাৰ মাছাযোগ গাঁৱত সংঘটিত হৈছিল এক নৃশংস হত্যাকাণ্ড। পঞ্চায়ত প্ৰধান সন্তোষ দেশমুখক লোহাৰ ৰড আৰু চোকা অস্ত্ৰৰে প্ৰহাৰ কৰি হত্যা কৰিছিল দুৰ্বৃত্তৰ দলে। আনকি সেই পাশৱিক অত্যাচাৰৰ শিহৰণকাৰী ভিডিঅ’ও নিৰ্মাণ কৰিছিল দুৰ্বৃত্তই। আৰক্ষীৰ তদন্ত অনুসৰি, সন্তোষ দেশমুখে ধন দাবীৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ বাবেই তেওঁক নিৰ্মমভাৱে হত্যা কৰা হয়। ইতিমধ্যে এই হত্যাকাণ্ডৰ লগত জড়িত থকাৰ সন্দেহত ছয়জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। আৰু তাৰে এজন ধনঞ্জয় মুণ্ডেৰ ঘনিষ্ঠ বুলি জানিব পৰা গৈছে। ধনঞ্জয়ে নিজৰ প্ৰভাৱ ব্যৱহাৰ কৰি তদন্তক বিপথে পৰিচালিত কৰিবলৈ চেষ্টা কৰা বুলিও অভিযোগ উত্থাপন কৰিছে বিৰোধীয়ে। এই ঘটনাক লৈ শাসকীয় দলৰ অস্বস্তি বৃদ্ধি পোৱাত পৰিস্থিতি চম্ভালিবলৈ ব্যৱস্থা গ্ৰহণ কৰে মুখ্যমন্ত্ৰীয়ে। সূত্ৰ অনুসৰি উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ সৈতে দীঘলীয়া বৈঠকৰ অন্তত ধনঞ্জয়ক পদত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হয়। প্ৰণিধানযোগ্য যে, ৪৯ বছৰীয়া ধনঞ্জয় মুণ্ডেই ২০১৩ চনত এনচিপিত যোগদান কৰিছিল। পিছত ২০২৩ চনত দল বিভাজিত হোৱাত তেওঁ অজিত পাৱাৰৰ শিবিৰত যোগদান কৰে। এসময়ত উদ্ধৱ থাকৰেৰ চৰকাৰত বিৰোধী দলৰ নেতা হিচাপে কাৰ্যনিৰ্বাহ কৰা ধনঞ্জয় বৰ্তমান ক্ষমতাৰ অংশীদাৰ যদিও এই ঘটনাই মহাৰাষ্ট্ৰৰ ৰাজনীতিত তেওঁৰ ৰাজনৈতিক ভৱিষ্যতক লৈ ডাঙৰ প্ৰশ্নৰ উত্থাপন কৰিছে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি তেওঁৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন হৈ আহিছিল যদিও মুণ্ডেই এই অভিযোগ অস্বীকাৰ কৰি আহিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অশোক সিংঘলৰ বিৰুদ্ধে

গুৱাহাটীত অট্টালিকা নিৰ্মাণৰ ঠিকাদাৰ ৰূপে জনাজাত বণিয়া অশোক সিংহলে অসমীয়া জাতিক ভয়ংকৰভাৱে অপমান কৰাত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বেহা-বেপাৰৰ বাবে অসমলৈ আহি গোজেই গছ হৈ পৰা অশোক সিংহলে অসমৰ বায়ু-পানী সেৱন কৰি জীয়াই আছে যদিও অসমীয়া মানুহৰ আপোন হ'ব নোৱাৰিলে। অসমীয়া জাতীয় কৃষ্টি-সংস্কৃতিক আঁকোৱালি লোৱাতো দূৰৰ কথা ঘৃণাহে কৰি আহিছে। এইবাৰ যেন সকলো অতিক্ৰম কৰি সিংহলে গুৰুজনাৰ অমৰ সৃষ্টিৰাজিক অপমান কৰি অসমীয়া জাতিবিৰোধী স্থিতি গ্ৰহণ কৰিছে। অসমৰ এটা সন্মানীয় সমষ্টিৰ বিধায়ক হৈও অসমীয়া মানুহক দুৰ্ঘোৰ অপমান কৰি 'ভাওনাৰ কাম নাই, এইবোৰ সময় নষ্ট' বুলি ক'বলৈ দুঃসাহস কৰিছে। যাক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ বাধ্য হৈ কয় যে মই তেওঁ তেনেকৈ কোৱা বুলি নাভাবো। ভাওনাৰ বাবে তেওঁৰ ওচৰত কিয় যাব লাগে। মোক ক'ব মই চাবলৈ যাম বুলি কয় মুখ্যমন্ত্ৰী ড০ শৰ্মাই। এটা ব্যক্তিগত খণ্ডৰ নিউজ চেনেলৰ সাংবাদিকে পংকজ শৰ্মাই মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। গুৱাহাটী প্ৰেছ ক্লাবে অনুষ্ঠিত কৰা ভাওনাত উপস্থিত থাকিবৰ বাবে অশোক সিংহলক নিমন্ত্ৰণ জনাবলৈ যোৱাৰ সময়ত 'ভাওনাৰ কাম নাই, এইবোৰ সময় নষ্ট' বুলি কৈছিল অশোক সিংহলে। এই গুৰুতৰ অভিযোগ উত্থাপন কৰে সাংবাদিকে পংকজ শৰ্মাই। তাৰ পিছতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। বিভিন্ন দল-সংগঠনে সিংহলক আক্ৰমণৰ লক্ষ্য কৰি লয়। সিংহলক বণিয়া আখ্যা দি অসমীয়া জাতীয় কৃষ্টিক অপমান কৰাৰ অধিকাৰ ক'ত পালে বুলি উভতি ধৰে বিভিন্নজনে। সাংবাদিক শৰ্মাই লগতে কৈছিল যে মন্ত্ৰীৰ ক্ষমতা পোৱা মানেই এনে নহয় যে অসমীয়া সংস্কৃতিক অপমান কৰাৰ অধিকাৰ পাইছে। এয়া গ্ৰহণযোগ্য নহয়। আমি অসমীয়া-অনাঅসমীয়াৰ পাৰ্থক্য কৰিব নিবিচাৰো। কিন্তু তাৰ মানে এইটো নহয় যে আমি দুৰ্বল। ধৈৰ্য ধৰি চাওক, এয়া গভীৰ চিন্তনীয়। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে এনে মন্তব্যক তীব্ৰ গৰিহণা দিয়ে। মন্ত্ৰী অশোক সিংহল অসমত থাকিও অসমীয়া হ'ব পৰা নাই বুলি কয় গগৈয়ে। সিংহলৰ এনে মন্তব্যৰ বিৰুদ্ধে কংগ্ৰেছ নেতা দীপ বায়নে উভতি ধৰে বিজেপিক। বিজেপিৰ এয়া নেকি জাতি, মাটি, ভেটিৰ ৰক্ষাৰ শ্ল'গান। অশোক সিংহল কেতিয়াও অসমীয়া হ'ব নোৱাৰিলে বুলি দাবী কৰে ৰাইজৰ দলৰ নেতা ৰাছেল হুছেইনে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই কয় যে এয়া গৰিহণাৰ যোগ্য। অসমত মন্ত্ৰী হৈ থকা মন্ত্ৰী এজনে যদি গুৰুজনাৰ সৃষ্টিক আঁকোৱালি ল'ব নোৱাৰে তাতকৈ দুখৰ বিষয় একো নাই। গুৱাহাটী প্ৰেছ ক্লাবেও এই ঘটনাক গৰিহণা দিছে। এনে মন্তব্যক দুৰ্ভাগ্যজনক আখ্যা দি মানসিকতা সলনি কৰাৰ আহ্বান জনায়। আনহাতে অখিল গগৈয়ে সিংহলক খিলঞ্জীয়াবিৰোধী আখ্যা দিয়ে। তেওঁৰ কথা-বাৰ্তাত উত্তৰ ভাৰতৰ দাদাগিৰি। তেওঁৰ কথা-বাৰ্তা আমাৰ অসমীয়া সংস্কৃতিৰ সৈতে নিমিলে। সিংহলে ভাওনাৰ কিবা মোল বুজি পাবনে? বান্দৰে নাৰিকলৰ মোল যেনেকৈ বুজি নাপায় তেনেকৈ ভাওনাৰ মোল কি বুজিব সিংহলে। দিল্লীত হিমন্ত বিশ্ব শৰ্মাৰ অৱস্থা যাতে ভাল হৈ থাকে আৰু ৰাজ্যৰ হিন্দীভাষীৰ ভোট যাতে পায় তাৰ বাবে অশোক সিংহলক মন্ত্ৰী কৰি ৰাখিছে। এনে দুষ্ট প্ৰকৃতিৰ মানুহে অসমত কেৱল লুণ্ঠন কৰিবলৈ আহিছে।
সাংবাদিককসকলক উদ্দেশ্যি অখিল গগৈয়ে কয় যে বেপাৰীৰ ওচৰলৈ ভাওনাৰ বাবে যাব নালাগে নহয়। বৰগীত, ভাওনা, বিহুৰ বাবে এনে লোকক নিমন্ত্ৰণ কৰিবই নাপায় বুলিও কয় অখিল গগৈয়ে। ৰাজ্যজুৰি এই বিষয়টোক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত মন্ত্ৰী সিংহলে প্ৰতিক্ৰিয়া ব্যক্ত কৰি তেনে মন্তব্য দিয়াৰ কথা অস্বীকাৰ কৰে। অভিযোগ সম্পূৰ্ণ মিছা আৰু মনেসজা বুলি কৈ সাংবাদিক পংকজ শৰ্মাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ ধমক দিয়ে। মন্ত্ৰী অশোক সিংহলে কয় যে স্পষ্ট কৰি দিব বিচাৰিছো যে এই অভিযোগ সম্পূৰ্ণ মিছা আৰু মনেসজা। সংবাদ মাধ্যমৰ এটা প্ৰতিনিধি দল মোৰ ওচৰলৈ অহাটো সঁচা আৰু ভাওনালৈ তেওঁলোকে মোক নিমন্ত্ৰণ জনোৱাটোও সত্য। কিন্তু ভাওনাক কেন্দ্ৰ কৰি তাচ্ছিল্যসূচক কোনো কথা কোৱাটো দূৰৈৰ কথা তেনে কথা মোৰ কল্পনালৈ অহাটোৱেই অসম্ভৱ। গতিকে এনেদৰে কাহিনী সাজি আৰু তাৰ সৈতে মহাপুৰুষজনাৰ নাম সাঙুৰি জগতগুৰুজনাক অপমান কৰাৰ লগতে জনমানসত মোক হেয় প্ৰতিপন্ন কৰাৰ এই অপচেষ্টা কোনোপধ্যেই গ্ৰহণীয় হ'ব নোৱাৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আমি একান্ত অনুগত আৰু তেখেতৰ সৃষ্টিৰাজিক সদায় শিৰনত কৰি আঁকোৱালি লৈ আহিছোঁ। যিগৰাকী গুৰুৰ সৃষ্টি-অৱদানেৰে সমগ্ৰ অসমীয়া জাতিটো সমৃদ্ধ, যিগৰাকী গুৰুৰ নাম লৈ প্ৰতিটো দিনৰ আমি আৰম্ভণি কৰো, তেখেতক সাঙুৰি কৰা এই অপপ্ৰচাৰে মোক ব্যক্তিগতভাৱে যথেষ্ট মনোকষ্ট দিছে। অসমীয়া জাতীয় জীৱনৰ ভেটি গঢ়োঁতা গুৰুজনাৰ সৃষ্টিৰাজিক লৈ বক্তব্য প্ৰদান কৰাৰ ধৃষ্ঠতা আমাৰ নাই।
এনেদৰে মিছাৰ আশ্ৰয় লৈ প্ৰতিগৰাকী অসমবাসীৰ আৱেগক কৰা অশ্ৰদ্ধা-অপমানক গৰিহণা দিছো আৰু মোৰ বিৰুদ্ধে এই ষড়যন্ত্ৰত লিপ্ত হোৱা নিৰ্দিষ্ট সাংবাদিকগৰাকীক অনতিপলমে ক্ষমা খুজিবলৈ আহ্বান জনাইছো। অন্যথা মই আইনৰ আশ্ৰয় ল'বলৈ বাধ্য হ'ম বুলিও স্পষ্ট কৰি দিছো।

# আদালতত পুনৰ মুখ থেকেচা অইল ইণ্ডিয়াৰ

**ই-সংবাদ, দুলীয়াজান, ৪ মাৰ্চঃ** ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ শান্তিপূৰ্ণ আন্দোলনৰ বিৰুদ্ধে উদ্দেশ্যপ্ৰণোদিতভাৱে গোচৰ দি আদালতৰ মজিয়াত মুখ থেকেচা খাবলগীয়া হ'ল দেশৰ ৰাজহুৱা খণ্ডৰ দ্বিতীয় বৃহৎ তৈল উদ্যোগ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডে। ২০২৩ চনত অইল ইণ্ডিয়া লিমিটেডৰ কাৰিকৰী পদৰ নিযুক্তি প্ৰক্ৰিয়াত হোৱা দুৰ্নীতিৰ বিৰুদ্ধে তদন্তৰ দাবীত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত উদ্যোগটোৱে কোনো অসুবিধাৰ সন্মুখীন নোহোৱাকৈ এক আমৰণ অনশনৰ কাৰ্যসূচী কাৰ্যসূচী লৈছিল। সেই আন্দোলনৰ বিৰুদ্ধে সংগঠনটোক ভীতিগ্ৰস্ত কৰাৰ উদ্দেশ্যে অইল ইণ্ডিয়াই সংগঠনটোৰ কেইজনমান বিষয়ববীয়াৰ ওপৰত গোচৰ জাপি দিছিল। কালি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত ছাত্ৰ মুক্তিৰ দুলীয়াজান আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি মানসজ্যোতি দুৱাৰাই কয়, সেই সময়ত অইল ইণ্ডিয়াৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগসমূহৰ উত্তৰ দিবলৈ বা তদন্ত কৰিবলৈ মহাৰত্ন প্ৰতিষ্ঠানটোৱে সাহস নকৰিলে। এটা বৃহৎ নিযুক্তি কেলেংকাৰী সংঘটিত হোৱাৰ পিছত অইল ইণ্ডিয়া লিমিটেডৰ শীৰ্ষ বিষয়াই এখন ভুৱা এজাহাৰ দাখিল কৰি দায়িত্বৰ পৰা হাত সাৰি দুৰ্নীতি সন্দৰ্ভত অভিযোগ উঠা সকলোকে ৰক্ষণাবেক্ষণ দিলে। ছাত্ৰ মুক্তিৰ আন্দোলনৰ সময়তে ২০২৩ বৰ্ষৰ ৭ নৱেম্বৰত অইল ইণ্ডিয়া লিমিটেডৰ হৈ নিৰাপত্তা বিভাগৰ উপ-পৰিদৰ্শক শেখৰ বৰদলৈ নামৰ বিষয়াজনে ভুৱা গোচৰ দিছিল দুলীয়াজান আৰক্ষী থানাত। সেই গোচৰ অনুসৰি সংগঠনটোৰ ৫ জন বিষয়ববীয়া ক্ৰমে মাধুৰ্য বৰুৱা, পুষ্পক ভুঞা, আকাশ প্ৰতিম গোস্বামী, ভাৰ্গৱমণি দত্ত আৰু প্ৰাঞ্জল ভুঞাৰ ওপৰত ভুৱাকৈ ৫ টা গোচৰ জাপি দিছিল। প্ৰায় ডেৰ বছৰে আদালতত বিচাৰ চলি থকাৰ পিছত ১ মাৰ্চত ডিব্ৰুগড় জিলাৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আদালতে ৫ জন নেতাকে দোষমুক্ত ঘোষণা কৰে। আদালতত ছাত্ৰ মুক্তিৰ হৈ যুক্তি আগবঢ়ায় অধিবক্তা অনুজ চেত্ৰী আৰু পূৰবী বৰ্মনে। উল্লেখ্য যে পূৰ্বেও অইল ইণ্ডিয়াই সংগঠনটোৰ বিৰুদ্ধে কেইবাটাও গোচৰ দিছিল যদিও আটাইকেইটা গোচৰতে মুখ থেকেচা খাবলগীয়া হৈছিল। লক্ষণীয়ভাৱে অসমৰ প্ৰায় সকলো প্ৰভাৱশালী সংগঠনে বিভিন্ন অজুহাতত অইল ইণ্ডিয়াৰ বিৰুদ্ধে আন্দোলন কৰি আহিছে যদিও কোনো সংগঠনৰ ওপৰত গোচৰ দিয়া নাই ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানটোৱে। এই সংগঠনসমূহৰ প্ৰতিবাদী কাৰ্যসূচীৰ ফলত বৃহৎ লোকচানৰ সন্মুখীন হোৱা বুলিও অইল ইণ্ডিয়াৰ বৰমুৰীয়াই ৰাজহুৱাকৈ প্ৰকাশ কৰি আহিছে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ ওপৰত বাৰে বাৰে অইল ইণ্ডিয়াৰ শীৰ্ষ বিষয়াৰ এনে আক্ৰোশমূলক আচৰণ কিয় সেইটোহে সাঁথৰ।

**প্ৰথম পৃষ্ঠাৰ পৰা...**

# ইণ্টাৰপ'লৰ সহায় লোৱাৰ

শেহতীয়াকৈ এই কথা ঘোষণা কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মঙলবাৰে সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতত আই এছ আই তথা পাকিস্তান চৰকাৰৰ এটা প্ৰভাৱ দেখিবলৈ পোৱা গৈছে। পাকিস্তানৰ বেচৰকাৰী সংস্থা লীডৰ প্ৰতিষ্ঠাপক মুৰব্বী আলী তৌকীৰ শেখৰ সৈতে দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত কৰ্মৰত এগৰাকী অসমীয়া অধ্যাপকৰ সম্পৰ্ক আছে। গৌৰৱ গগৈৰ পত্নী এলিজাবেথ গগৈৰ পাকিস্তান সম্পৰ্কৰ গোচৰৰ অগ্ৰগতিৰ কথা সদৰী কৰি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে এই কথা। স্মৰ্তব্য যে যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তানৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগ উত্থাপন কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ পাছতে যোৱা ১৬ ফেব্ৰুৱাৰীত ৰাজ্যিক কেবিনেটে এই সন্দৰ্ভত অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানক গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল। সেই অনুসৰি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে ৫/২৫ নম্বৰত এটা গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ অংশ স্বৰূপে ১৭ ফেব্ৰুৱাৰীত অপৰাধ অনুসন্ধান বিভাগৰ বিশেষ সঞ্চালকপ্ৰধান মুন্না প্ৰসাদ গুপ্তাৰ অধ্যক্ষতাত এখন চাৰিজনীয়া এছ আই টি গঠন কৰি দিয়ে অসম আৰক্ষীয়ে। অসম আৰক্ষীয়ে ৰুজু কৰা গোচৰৰ ভিত্তিত গঠন কৰি দিয়া বিশেষ তদন্তকাৰী দলে বৰ্তমান অব্যাহত ৰাখিছে তদন্ত। শনিবাৰে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ অধীক্ষক ৰঞ্জী কলিতাৰ নেতৃত্বত দিল্লীলৈ ৰাওনা হৈছিল এছআইটি। এছআইটিৰ এই তদন্তৰ সন্দৰ্ভত মন্তব্য দিবলৈ গৈ মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে কোভিডৰ পূৰ্বে অৰ্থাৎ ২০১৮ চনলৈকে আলী তৌকিৰ শেখ ভাৰতলৈ আহি আছিল। এই তথ্য লাভ কৰিছে এছ আই টিয়ে। ভাৰতলৈ আহোতে আলী তৌকিৰ শেখৰ লগত আহিছিল পাকিস্তানৰ এটৰ্নী জেনেৰেলৰ দৰে ব্যক্তিও। লোকচক্ষুৰ পৰা আঁতৰত থাকিবলৈ তেওঁলোক আছিল সৰু সৰু হোটেলত। এছ আই টিৰ তদন্ততে এই তথ্য লাভ কৰাৰ কথা সদৰী কৰে মুখ্যমন্ত্ৰীয়ে। এই তথ্য যথেষ্ট সংবেদনশীল আখ্যা দি সমগ্ৰ বিষয়টো কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো অৱগত কৰা বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এছ আই টিৰ এই তদন্ত এটা পৰ্যায়লৈকেহে যাব পাৰিব। কিন্তু তাৰ পাছৰ পৰ্যায়ত তদন্তৰ বাবে ইণ্টাৰপ'লৰ সহায় ল'বলগীয়া হ'ব পাৰে। উল্লেখ্য, আলী তৌকিৰ শেখ সম্পৰ্কিত হৈ থকা লীড নামৰ বেচৰকাৰী সংস্থাটোতে বিবাহৰ পূৰ্বে গৌৰৱ গগৈৰ পত্নী এলিজাবেথ ক'লবাৰ্ন কৰ্মৰত আছিল বুলি অভিযোগ উত্থাপন কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

**প্ৰথম পৃষ্ঠাৰ পৰা...**

# প্ৰশ্ন সুধি সদনৰ পৰা বাহিৰ

প্ৰথমে জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই বিভাগীয় প্ৰশ্নৰ উত্তৰ দি থকাৰ সময়ত জলজীৱন মিছন সম্পূৰ্ণৰূপে বিফল হোৱাৰ লগতে পানী যোগানত বিফল হোৱাৰ অভিযোগ উত্থাপন কৰাত অধ্যক্ষই প্ৰশ্নোত্তৰ কালৰ পৰা বহিষ্কাৰ কৰে। আনহাতে অসম চৰকাৰৰ কৰ্মচাৰীৰ বাবে পুৰণি পেন্সন ব্যৱস্থা প্ৰৱৰ্তনৰ দাবী জনাই অসম বিধানসভাৰ পৰা দিনটোৰ বাবে বহিষ্কাৰ হয় অখিল গগৈ। শিৱসাগৰৰ বিধায়কগৰাকীয়ে নতুন পেন্সন ব্যৱস্থাত এজন কৰ্মচাৰীয়ে গোটেই জীৱন সেৱা কৰি পেন্সন লাভৰ পৰা বঞ্চিত হয় তাৰ আলেখলেখ দাঙি ধৰে বিধানসভাত। অখিল গগৈয়ে এজন কৰ্মচাৰীয়ে গোটেই জীৱনৰ মূল্যৱান সময়খিনি চৰকাৰৰ বাবে আৰু ৰাইজৰ কাৰণে দি তেওঁ যেতিয়া কাম কৰিব নোৱাৰা হৈ ৬৫ বছৰীয়া হয় তেতিয়া ১০ হাজাৰ টকা পেন্সন দিলে ২৫০ টকা বৃদ্ধ পেন্সন পোৱাৰ দৰে কথা হ'ব বুলি সদনত আক্ষেপ কৰে। নিৰ্দলীয় বিধায়ক অখিল গগৈয়ে পেন্সন ব্যৱস্থাক কৈ সংকল্প প্ৰস্তাৱ উত্থাপন কৰে। গগৈয়ে কয় যে অসমৰ চৰকাৰী কৰ্মচাৰীসকলে পূৰ্বৰ পৰা অৱসৰকালীন জীৱনৰ বাবে চৰকাৰী পেন্সন লাভ কৰি আহিছিল। ২০০৫ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা শিক্ষক-কৰ্মচাকীসকলৰ বাবে অসমত পুৰণি পেন্সন ব্যৱস্থাৰ পৰিৱৰ্তে নতুন ৰাষ্ট্ৰীয় পেন্সন ব্যৱস্থা এনপিএছ আৰম্ভ হ'ল। এনপিএছত কৰ্মচাৰীসকলৰ অৱসৰকালীন সামাজিক সুৰক্ষা নাইকিয়া হ'ল। ফলত চৰকাৰী কৰ্মচাৰীসকলে ভৱিষ্যত্ জীৱনৰ সুৰক্ষা বিচাৰি নতুন পেন্সন ব্যৱস্থাৰ পৰিৱৰ্তে পুৰণি পেন্সন বিচাৰি আন্দোলন কৰা দেখা গৈছে। আকৌ ভাৰত তথা অসমৰ চৰকাৰে ঘোষণা কৰিছে সংযুক্ত পেন্সন ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব। কিন্তু কৰ্মচাৰীসকল আৰু তেওঁলোকৰ সংগঠনসমূহ এই নতুন ব্যৱস্থাক লৈও সন্তুষ্ট নহয়। অসমৰ চৰকাৰৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে আৰু জীৱনৰ কৰ্মঠ সময়খিনি ৰাজহুৱা জীৱনৰ বাবে সমৰ্পণ কৰাৰ স্বীকৃতিস্বৰূপে অসমৰ সকলো শিক্ষক-কৰ্মচাৰীৰ বাবে পুৰণি পেন্সন ব্যৱস্থা বাহাল কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হওক। অখিল গগৈয়ে কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া ইউপিএছ পেন্সন ব্যৱস্থাত কেৱল এটা পেমেণ্টৰ নিশ্চিতি প্ৰদান কৰিছে বুলি কৈ কয় যে এই ব্যৱস্থা এনপিএছতকৈও বেয়া। ইউপিএছত চাকৰিয়ালৰ পৰা প্ৰত্যেক মাহে ১০ শতাংশ কাটি ৰাখিব। কেন্দ্ৰীয় চৰকাৰে ১৮ শতাংশ জমা দিব। চৰকাৰী কৰ্মচাৰীৰ যিটো টকা জমা হয় সেই টকা কোম্পানীত বিনিয়োগ কৰি যিটো লাভ পাব তাৰ পৰাহে পেন্সন দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইউপিএছত যদি দহ বছৰ চাকৰি কৰিছে ন্যূনতম ১০ হাজাৰ টকা পেন্সন, ১০ ৰ পৰা ২৫ বছৰ চাকৰি কৰাসকলে আনুপাতিক আকাৰত পেন্সন। যদি ২৫ বছৰ চাকৰি কৰিছে তেন্তে শেষৰ ১২ মাহৰ দৰমহাৰ এভাৰেজৰ ৫০ শতাংশ পেন্সন পাব। যদি মানুহজনৰ মৃত্যু হয় তেন্তে পত্নী বা পৰিয়ালে পাব ৬০ শতাংশ পেন্সন। পুৰণি পেন্সনত এককালীন সাহায্য যদি ৩৫ লাখ টকা পায় নতুন পেন্সন ব্যৱস্থাত পাব ৩ লাখ ৫০ হাজাৰ টকা। ১০ বছৰ চাকৰি কৰাজনৰ শেষৰ দৰমহা যদি ৬৮ হাজাৰ টকা হয় তেন্তে একাকালীন সাহায্য পাব ১ লাখ ৩৭ হাজাৰ টকা। ২০ বছৰ চাকৰি কৰিলে ২ লাখ ৭৫ হাজাৰ টকা। ২৫ বছৰ চাকৰি কৰি ওলাই গ'লে মানুহজনে পাব ৩ লাখ ৪৪ হাজাৰ টকা। ইউপিএছত গ্ৰেচ্যুইটি, জিপিএফ ব্যৱস্থা নাই, দৰমহা বৃদ্ধিৰ ভিত্তিত পেন্সন বৃদ্ধিৰ যিটো ব্যৱস্থা সেইটো নাই। পুৰণি ব্যৱস্থাটো বেলেগ আছিল। শেষৰ দৰমহাটো যিমান পায় তাৰ আধা পেন্সন হিচাপে লাভ কৰিছিল। অখিল গগৈয়ে জীৱনৰ কৰ্মঠ সময়খিনি ৰাজহুৱা জীৱনৰ বাবে সমৰ্পণ কৰাৰ স্বীকৃতিস্বৰূপে অসমৰ সকলো শিক্ষক-কৰ্মচাৰীৰ বাবে পুৰণি পেন্সন ব্যৱস্থা বাহাল কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হওক বুলি দাবী উত্থাপন কৰে। এই সংকল্প প্ৰস্তাৱ পাঠ কৰাৰ পিছতে সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে উত্তৰ দি এই প্ৰস্তাৱ অগ্ৰাহ্য কৰে। কিন্তু শাসক পক্ষৰ তৰফৰ পৰা প্ৰস্তাৱ অগ্ৰাহ্য কৰাৰ পিছতে বিধানসভাৰ উপাধ্যক্ষ নোমল মমিনে অখিল গগৈক এই প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিব নে নাই বুলি অখিল গগৈক প্ৰশ্ন কৰে। ইপিনে গগৈয়ে দৃঢ়তাৰে কয় যে মই প্ৰস্তাৱ উঠাই নলওঁ। তেতিয়া উপাধ্যক্ষই সদনত উপস্থিত থকা সদস্যৰ পৰা জানিব বিচাৰে যে সদনত উত্থাপিত প্ৰশ্নটোৰ প্ৰতি 'আছে' আৰু 'নহয়' বুলি সমৰ্থনৰ প্ৰতি সংখ্যাগৰিষ্ঠতা জানিব খোজে। অখিল গগৈয়ে বিৰোধী নেতাসকলৰ নাম কৈ চিঞৰি কয় যে সমৰ্থন আছে। প্ৰস্তাৱৰ বিপক্ষে থকা শাসক পক্ষৰ সদস্যসকলে নহয় বুলি কোৱাৰ পিছতে প্ৰস্তাৱ নাচক কৰাৰ কথা ঘোষণা কৰে উপাধ্যক্ষই। সেই সময়ত অখিল গগৈয়ে ডিভিজন অৰ্থাৎ ভোটিং বিচাৰে। তেতিয়া উপাধ্যক্ষই কয় যে ইতিমধ্যে প্ৰস্তাৱ নাকচ কৰা হৈছে। সেই সময়ত ভাষণ ৰাখিবলৈ উপাধ্যক্ষই সময় দিয়ে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক। কিন্তু বিৰোধীৰ একাংশ বিধায়কে অখিল গগৈৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আগবঢ়ায়। সদনত অখিল গগৈয়ে চিঞৰি চিঞৰি কয় যে এই ক্ষেত্ৰত ভোটিং হ'ব লাগে। কৰ্মচাৰীৰ পক্ষত কোন আছে জানিব লাগে। দেৱব্ৰত শইকীয়াই ভাষণ দি থকাৰ সময়তে অখিলে ডিভিজন বিচাৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাত উপাধ্যক্ষই চেয়াৰক প্ৰত্যাহ্বান নজনাব বুলি কৈ সদন স্থগিত ঘোষণা কৰে আৰু গগৈক দিনটোৰ বাবে সদনৰ পৰা বহিষ্কাৰ কৰা হয়।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# অখিল গগৈ অসমীয়া নহয়

ইছলামধৰ্মী সমাজৰ কট্টৰ সমৰ্থক শিখা শৰ্মা নামৰ মহিলাগৰাকীয়ে এইবাৰ আহোম জনগোষ্ঠীক লৈ বিতৰ্কিত মন্তব্য প্ৰদান কৰিছে। অখিল গগৈক থাইলেণ্ডৰ বুলি দাবী কৰি আহোম জনগোষ্ঠীক অপমান কৰাৰ অভিযোগ উত্থাপন হোৱাত উজনি অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঢেকীয়াজুলিৰ এখন সভাত মিঞাক লৈ ঘৃণনীয় মন্তব্য কৰা মন্ত্ৰী অশোক সিংহলৰ সমৰ্থনত থিয় দি অখিল গগৈৰ বিৰুদ্ধে মন্তব্য প্ৰদান কৰে শৰ্মাই। অখিল সনাতনী আৰু অসমৰ অসমীয়া, ঠিক জ্যোতিপ্ৰসাদৰ দৰে বুলি কয় শিখা শৰ্মাই। অখিল গগৈক থাইলেণ্ডৰ বুলি কৈ সামাজিক মাধ্যমত বিতৰ্কিত মন্তব্য প্ৰদান কৰা শিখা শৰ্মা নামৰ মহিলাগৰাকীয়ে আহোম জনগোষ্ঠীক অপমান কৰাৰ অভিযোগ উত্থাপন হৈছে। আজি বিধানসভাৰ বাজেট অধিৱেশন চলি থকাৰ সময়তে অখিল গগৈয়ে চৰকাৰী পক্ষৰ বিৰুদ্ধে পুৰণি পেন্সন ব্যৱস্থাক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰে। সেই সময়ত গগৈ থাইলেণ্ডৰ মানুহ, অশোক সিংহল ভাৰতীয় অখিল গগৈৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্য প্ৰদান কৰে শিখা শৰ্মাই। শিখা শৰ্মাই কয় যে অখিল গগৈ থাইলেণ্ডৰ মানুহ। অখিল অসমীয়া হ'বই নোৱাৰে। অশোক সিংহল ভাৰতীয় সনাতনী আৰু অসমৰ অসমীয়া, ঠিক জ্যোতিপ্ৰসাদৰ দৰে। টাই আহোম যুৱ পৰিষদৰ মুখপাত্ৰ মানসপ্ৰতিম গগৈয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে আহোমৰ প্ৰতি একাংশ মানসিক বিকাৰগ্ৰস্ত লোকৰ মানসিকতা সলনি নহ'ল। ইয়াৰ পিছতেশিখাক আক্ৰমণৰ লক্ষ্য কৰি লয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'মিঞা', 'পাকিস্তানী' ক'লেই

কোনো ভিত্তি নাই। ন্যায়াধীশ বি ভি নাগৰত্ন আৰু ন্যায়াধীশ সতীশ চন্দ্ৰ শৰ্মাৰ বিচাৰপীঠে সংবিধানৰ ২৯৮ অনুচ্ছেদৰ উদ্ধৃতি দি অভিযুক্তক দোষমুক্ত কৰে। উল্লেখ্য যে ছামছুদ্দিন নামৰ এজন চৰকাৰী কৰ্মচাৰীয়ে তেওঁৰ সহযোগী হৰিনন্দন সিঙে ধৰ্মৰ ভিত্তিত অপমান কৰাৰ অভিযোগ উত্থাপন কৰি আদালতৰ দাৰস্থ হৈছিল। আৰটিআই বিভাগৰ উৰ্দু অনুবাদক ছামছুদ্দিনে কয় যে যেতিয়া তেওঁ প্ৰদান কৰিব বিচৰা এখন গুৰুত্বপূৰ্ণ নথি ল'বলৈ অস্বীকাৰ কৰিছিল হৰিনন্দনে। পৰৱৰ্তী সময়ত তেওঁ সেই নথিখন গ্ৰহণ কৰে যদিও কৰে ছামছুদ্দিনে। এই অভিযোগৰ ভিত্তিত ছামছুদ্দিনক 'মিঞা' আৰু 'পাকিস্তানী' বুলি ইতিকিং কৰাৰ লগতে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ ভাবুকি প্ৰদান কৰা বুলিও অভিযোগ উত্থাপন হৰিনন্দন সিঙৰ বিৰুদ্ধে একাধিক ধাৰাত গোচৰ ৰুজু কৰে আৰক্ষীয়ে। প্ৰথম অৱস্থাত নিম্ন আদালতে ভাৰতীয় দণ্ডবিধিৰ ৩৫৩, ২৯৮ আৰু ৫০৪ ধাৰাত গোচৰটো মানি লৈছিল। কিন্তু প্ৰমাণৰ অভাৱত কেইবাটাও অভিযোগ খাৰিজ কৰা হয়। পিছত ৰাজস্থান উচ্চ ন্যায়ালয়ৰ জৰিয়তে উচ্চতম ন্যায়ালয়ত গোচৰটো উপস্থিত হয়। এই গোচৰৰ শুনানিৰ সময়তে সৰ্বোচ্চ ন্যায়ালয়ে কয় যে যদিও অভিযুক্তৰ মন্তব্য আপত্তিজনক আছিল, তথাপি সেয়া আইনী অপৰাধৰ সমান নহয়। আদালতে উল্লেখ কৰে যে যিহেতু এই কাণ্ডৰ ফলত শান্তি ভংগ হোৱা নাছিল, সেয়েহে ৫০৪ ধাৰা প্ৰযোজ্য নহয়। একে সময়তে অভিযুক্তক ২৯৮ ধাৰাতো দোষী সাব্যস্ত কৰিব নোৱাৰিব বুলিও স্পষ্ট কৰে। লগতে উচ্চতম ন্যায়ালয়ে সিঙৰ বিৰুদ্ধে উত্থাপিত সকলো অভিযোগ খাৰিজ কৰে।

# শিৱসাগৰত এন এইচ এমৰ কৰ্মচাৰী, স্বাস্থ্য কৰ্মীৰ ধৰ্মঘটত অচল চিকিৎসা সেৱা

**ই-সংবাদ, শিৱসাগৰ, ৪ মাৰ্চঃ** ৰাজ্যত কোনো প্ৰতিবাদ, আন্দোলনৰ পৰিৱেশ নাই। শান্তি বিৰাজমান বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণৰ ফুলজাৰি মাৰি অহাৰ সময়তে আজি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ প্ৰতিবাদত শিৱসাগৰ জিলাত অচল হৈ পৰে চিকিৎসা সেৱা। চৰকাৰে কেতবোৰ দাবী পূৰণ নকৰাৰ বাবে ক্ষোভত ফাটি পৰা দুই শতাধিক স্বাস্থ্য কৰ্মীয়ে কৰ্তব্য সম্পাদনৰ পৰা বিৰত থাকে জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয় চৌহদত সাব্যস্ত কৰে প্ৰতিবাদ। সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাৰ উদ্যোগত আজিৰে পৰা আৰম্ভ কৰা এই কাৰ্যসূচী তথা কৰ্মবিৰতি অহা ৬ মাৰ্চলৈকে অব্যাহত ৰাখিব বুলিও স্পষ্ট কৰি দিছে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনৰ কৰ্মচাৰী আৰু স্বাস্থ্যকৰ্মীসকলৰ চাকৰি নিয়মীয়াকৰণ, চাকৰি নিয়মীয়াকৰণ নকৰালৈকে সপ্তম দৰমহা আয়োগৰ নীতি অনুসৰি আন চৰকাৰী কৰ্মচাৰীৰ সমহাৰত দৰমহা, বকেয়া আদি প্ৰদান কৰাৰ দাবীতে এই কাৰ্যসূচী ৰূপায়ণ কৰিছে সংস্থাই। এন এইচ এমৰ কৰ্মচাৰী, নাৰ্চ তথা স্বাস্থ্য কৰ্মীসকলে হাতে হাতে প্লেকাৰ্ড লৈ চৰকাৰে প্ৰতাৰণা বন্ধ কৰক, চাকৰি নিয়মীয়াকৰণ কৰক আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰে। আনহাতে এন এইচ এমৰ অধীনত কৰ্মৰত অৱস্থাত যিসকল কৰ্মচাৰীৰ মৃত্যু হ'ল তেওঁলোকৰ পৰিয়ালক চৰকাৰে মাত্ৰ পাঁচ লাখ টকা দিয়েই দায়িত্ব সামৰাত বৰ্তমান সেই পৰিয়ালসমূহৰ মাজত পানীত হাঁহ নচৰা অৱস্থা হোৱা বুলি ক্ষোভ প্ৰকাশ কৰে সংস্থাই। অচিৰেই দাবী পূৰণ নকৰিলে এন এইচ এমৰ সমূহ কৰ্মচাৰী, স্বাস্থ্য কৰ্মীয়ে ৰাজপথলৈ ওলাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিব বুলিও স্পষ্ট কৰি দিয়ে। উল্লেখ্য যে শিৱসাগৰ অসামৰিক চিকিৎসালয়ত কৰ্মৰত নাৰ্চসকলৰ ভিতৰত ৯০ শতাংশ নাৰ্চেই এন এইচ এমৰ অধীনত কৰ্মৰত। সেই একেই অৱস্থা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, মহকুমা চিকিৎসালয়সমূহত। এনে প্ৰেক্ষাপটত এন এইচ এমৰ কৰ্মচাৰী, স্বাস্থ্য তথা চিকিৎসা কৰ্মীসকলে দীঘলীয়া সময়ৰ বাবে কৰ্মবিৰতি পালন কৰিলে ৰাজ্যৰ স্বাস্থ্য খণ্ডত যে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হ'ব সেয়া স্পষ্ট হৈ পৰিছে।

# কোকৰাঝাৰত এনএইচএম কৰ্মচাৰীৰ বিক্ষোভ

**ই-সংবাদ, কোকৰাঝাৰ, ৪ মাৰ্চঃ** সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থা, এন এইচ এমৰ উদ্যোগত সমগ্ৰ ৰাজ্যৰ লগতে কোকৰাঝাৰ আৰ এন বি অসামৰিক চিকিৎসালয়ত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে বিভিন্ন দাবীৰ সমৰ্থনত কৰ্মবিৰতি কাৰ্যসূচী আৰম্ভ হৈছে। কৰ্মবিৰতিৰ সমান্তৰালভাৱে এন এইচ এমৰ কৰ্মচাৰীসকলে কোকৰাঝাৰ আৰ এন বি অসামৰিক চিকিৎসালয়ত হাতে হাতে প্লেকাৰ্ড লৈ ধৰ্ণা কাৰ্যসূচীও ৰূপায়ণ কৰে। বিক্ষোভত অংশ লোৱা কৰ্মচাৰীসকলে সম কামৰ সম দৰমহা প্ৰদান কৰক, এন এইচ এমৰ কৰ্মচাৰীসকলক সন্মানসহকাৰে জীয়াই থাকিবলৈ দিয়ক আদি শ্লোগান দি তেওঁলোকৰ দাবীসমূহ পূৰণ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনত কৰ্মৰত কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণ, সপ্তম দৰমহা আয়োগ অনুসৰি দৰমহা প্ৰদানকে ধৰি আন কেইবাটাও দাবীৰ সমৰ্থনত আজিৰে পৰা ৰাজ্যজুৰি কৰ্মবিৰতি কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই প্ৰতিবাদৰ ফলত স্বাস্থ্য খণ্ডত যথেষ্ট প্ৰভাৱ পৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তৰ প্ৰতিবাদহীন অসমত

ধৰ্ণা আদি শূন্য বুলি বাৰে বাৰে দাবী কৰি আহিছে যদিও আজি ২৪ হাজাৰ চৰকাৰী কৰ্মচাৰীয়ে ৰাজপথলৈ ওলাই আহি চৰকাৰক ৰঙা চকু দেখুৱায়। মানুহৰ জীৱনৰ সুৰক্ষাৰ সৈতে জড়িত স্বাস্থ্য কৰ্মচাৰীয়ে আজি মুখ্যমন্ত্ৰীক দেখুৱাই দিলে ৰাজ্যত প্ৰতিবাদ হৈ আছে নে নাই? ৰাজ্যত আজিকালি প্ৰতিবাদ নাই বুলি বাৰে বাৰে হিমন্ত বিশ্ব শৰ্মাই দাবী কৰি আহিছে যদিও বিগত কেইবাটাও দিন ধৰি ৰাজ্যত দেখা গৈছে প্ৰতিবাদমুখৰ পৰিৱেশ। বিগত প্ৰায় ১০-১২ দিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদ অব্যাহত থকাৰ লগতে চচলত নিতৌ প্ৰায় ৭ ৰ পৰা ৮ টা সংগঠনে প্ৰতিবাদ কৰি গৈছে। চচলত অগণন সংগঠনে প্ৰতিবাদ কৰি থকাৰ সময়তে আজি ৰাজ্যজুৰি স্বাস্থ্য বিভাগৰ কেইবাহাজাৰ কৰ্মচাৰী ৰাজপথত নামে। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অন্তৰ্গত সদৌ অসম স্বাস্থ্য-কাৰিকৰী কল্যাণ সন্থাৰ আহ্বানত আজিৰে পৰা কৰ্মচাৰীসকলে প্ৰতিবাদ আৰম্ভ কৰিছে। সংগঠনটোৱে আজিৰে পৰা সমগ্ৰ ৰাজ্যত প্ৰতিবাদ ঘোষণা কৰাত প্ৰতিবাদৰ প্ৰথম দিনটোত ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহ, জিলা চিকিৎসালয়, মহকুমা চিকিৎসালয়, প্ৰাথমিক, ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ৰ সেৱাত প্ৰভাৱ পৰে। সদৌ অসম স্বাস্থ্য-কাৰিকৰী কল্যাণ সন্থাই কেইবাটাও দাবীৰ সমৰ্থনত আজিৰে পৰা ৬ মাৰ্চলৈ তিনিদিনীয়াকৈ প্ৰতিবাদ ঘোষণা কৰিছে। ফলত আজি হাস্পতাল এৰি ৰাজপথত নমাত কিছু পৰিমাণে ব্যাহত হয় স্বাস্থ্য খণ্ডৰ স্বাভাৱিক কাম-কাজ। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণ আঁচনি, মেলেৰিয়া, আমব্ৰেলা আঁচনিৰ কাম স্থবিৰ হৈ পৰে। ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ বহু চিকিৎসা মহাবিদ্যালয়, জিলা চিকিৎসালয়, মহকুমা চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ সেৱাত প্ৰভাৱ পৰে। ৰোগী আৰু অভিভাৱকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হয়। কিয়নো ৬ মাৰ্চ পৰ্যন্ত চিকিৎসালয়সমূহৰ জৰুৰীকালীন সেৱাৰ বাহিৰে সকলো সেৱা সম্পূৰ্ণভাৱে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। ৰাজ্যখনৰ সৰ্বমুঠ ২৪ হাজাৰ এনএইচএম কৰ্মচাৰীয়ে নিজ নিজ কৰ্মক্ষেত্ৰ এলেকাত একত্ৰিত হৈ কৰ্মবিৰতি আৰম্ভ কৰাত ব্যাপকসংখ্যক ৰোগী বিপদত পৰে। প্ৰতিখন জিলাৰ সদৰ, মহকুমা সদৰ, সম-জিলাৰ সদৰ, চক্ৰ বিষয়াৰ কাৰ্যালয়ত কমেও ২০ ৰ পৰা ৭০ জন পৰ্যন্ত এনএইচএম ঠিকাভিত্তিক স্বাস্থ্য কৰ্মচাৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। ২৪ হাজাৰ কৰ্মচাৰীয়ে বিভিন্ন আঁচনিৰ অধীনত নিয়মীয়া কৰ্মচাৰীৰ দৰেই নিতৌ সেৱা আগবঢ়ায় যদিও সম কামৰ বাবে সম দৰমহা নাপায়। পেঞ্চনৰ লগতে অন্যান্য সুবিধাৰ পৰা বঞ্চিত হ'ব। চৰকাৰক বাৰে বাৰে মৰ্যাদাসহকাৰে জীয়াই থকিব পৰাকৈ চাকৰিৰ সুৰক্ষা দাবী কৰি আহিছে যদিও চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অন্তৰ্গত চিকিৎসক, নাৰ্চ, ফাৰ্মাচিষ্ট, মিছন সমন্বয়ক, এনএনএম, জিএনএম, কমিউনিটি হেলথ অফিচাৰ, ফাৰ্মাচিষ্ট, লেবৰটৰী টেকনিচিয়ান, গাণনিক, বিপিএম, বিচিএম কৰ্মচাৰীয়ে কৰ্মবিৰতি পালন কৰি প্ৰতিবাদ জনায়। চাকৰি নিয়মীয়া কৰি পেঞ্চন ব্যৱস্থা বাহাল, দৰমহা বৃদ্ধি, মৃত কৰ্মচাৰীৰ পৰিয়ালক ২৫ লাখ টকাৰ আৰ্থিক সাহায্য, ভ্ৰমণ বানচ, দৈনিক ভাত্তা, বিনামূলীয়া চিকিৎসা সেৱা, ৰাজ্য চৰকাৰৰ অন্যান্য কৰ্মচাৰীৰ সমহাৰত ভাত্তা প্ৰদানৰ দাবীত শ্লʼগান দি ৰাজ্যৰ পৰিৱেশ উত্তাল কৰে। চাৰিটাকৈ দাবীলৈ স্বাস্থ্য কৰ্মীসকলে মুখ্য মন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অধীনত দুটা দশক ধৰি স্বাস্থ্য কৰ্মীসকলে স্বাস্থ্য সেৱা আগবঢ়ায় আহিছে। এই ক্ষেত্ৰত এনএইচএম ঠিকাভিত্তিক স্বাস্থ্য কৰ্মীসকলক নিয়মীয়াকৰণ নকৰাত চাকৰিৰ বয়সৰ সীমা উকলি গৈছে। সম কামৰ সম দৰমহা দৰমহা প্ৰদান, স্থায়ী পদত নিযুক্তি প্ৰদান, স্বাস্থ্য বীমা প্ৰঞ্চন বেংক লোন, সকলো কৰ্মচাৰীলৈ পে স্কেল ব্যৱস্থা কৰি দৰমহা আদায়ৰ ব্যৱস্থা কৰা আদি চৰকাৰী সকলো সা-সুবিধা প্ৰদানৰ দাবী জনায়। দাবীসমূহ পূৰণ নোহোৱা পৰ্যন্ত কৰ্মবিৰতি পালন কৰাৰ হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে। স্বাস্থ্য কৰ্মীসকলে দিবা-নৈশ কাম কৰাৰ পিছতো মৰ্যাদা নোপোৱাত গণতান্ত্ৰিক প্ৰতিবাদ কৰিবলৈ বাধ্য হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমত হ'ব বাঁহৰ অট্টালিকা

কেবিনেটৰ বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেটত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল যোগে ঘোষণা কৰে। ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনত কঠোৰ ব্যৱস্থা কাৰ্যকৰী কৰিব ৰাজ্য চৰকাৰে। কেইবাটাও নতুন নিয়ম আনিব চৰকাৰে। অসমত নতুন কিবা বিশ্ববিদ্যালয় স্থাপন কৰিবলগীয়া হ'লে ৰাষ্ট্ৰীয় নিৰাপত্তাজনিত সুৰক্ষাৰ স্বাৰ্থত গৃহ আৰু ৰাজনৈতিক বিভাগৰ সুৰক্ষা ক্লিয়াৰেন্স অনিবাৰ্য হ'ব। বিশ্ববিদ্যালয়সমূহ সম্পূৰ্ণ ধৰ্মনিৰপেক্ষ আৰু ধৰ্মান্তৰজড়িত শিক্ষা দিব নোৱাৰিব। আইআইটি উত্তীৰ্ণ হৈ বিভিন্ন ক্ষেত্ৰত কৰ্মত ছাত্ৰ-ছাত্ৰীৰ বাবে পেন আইআইটি এলুমিনি এছ'চিয়েচন গঠনৰ সিদ্ধান্ত লয় চৰকাৰে। ৯০ কোটি টকা আবণ্টন দি ১০ টা দক্ষতা বিকাশ কেন্দ্ৰ স্থাপনৰো সিদ্ধান্ত লয়। উপাচাৰ্য নিযুক্তি আইনৰ সংশোধনৰ বাবে কেবিনেট অনুমোদন, অসমত নতুনকৈ স্থাপিত বিশ্ববিদ্যালয় কেইখনৰ উপাচাৰ্য নিযুক্তিৰ বাবে সংশোধনী উত্থাপন হ'ব বিধানসভাত। লোকনিৰ্মাণ আৰু জলসম্পদ বিভাগত থলুৱা ঠিকাদাৰ বৃদ্ধিৰ বাবে নিয়ম শিথিলৰ সিদ্ধান্ত, অভিযান্ত্ৰিক শিক্ষা সমাপ্ত কৰাসকলে লোকনিৰ্মাণ আৰু জলসম্পদ বিভাগত ঠিকাৰ পঞ্জীয়নৰ বাবে নিয়ম শিথিল কৰা হ'ব। নতুনকৈ পঞ্জীয়ন কৰিব বিচৰাসকলে পূৰ্বে ঠিকা কৰাৰ চাৰ্টিফিকেট, মেচিনেৰী, চিকিউৰিটী মানি আদি দিব নালাগিব। এডভান্টেজ আছামৰ প্ৰতিশ্ৰুতি অনুসৰি অসমত নতুন দুখন দক্ষতা বিকাশ বিশ্ববিদ্যালয় এখন দৰঙত, আনখন তিনিচুকীয়াত স্থাপন হ'ব। অসমত অট্টালিকা নিৰ্মাণ কৰিলে ৫ শতাংশ বাঁহৰ সামগ্ৰী ব্যৱহাৰ কৰিব লাগিব। অসমৰ অৰ্থনীতি বিকাশৰ বাবে অট্টালিকাসমূহৰ দৰ্জা, খিৰিকী আদিত বাঁহ ব্যৱহাৰ কৰিব লাগিব। জাগীৰোডৰ ছেমি কণ্ডাক্টৰ আৰু টাউনশ্বিপ অঞ্চলক ৰতন টাটা ইলেক্ট্ৰনিক চিটি হিচাপে নাম ঘোষণাত কেবিনেট অনুমোদন।

# শিৱসাগৰৰ বামুণবাৰীৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত দাও দাওকৈ জ্বলিল চলন্ত ট্ৰাক

**ই-সংবাদ, শিৱসাগৰ, ৪ মাৰ্চঃ** শিৱসাগৰ নগৰৰ পৰা কিছু নিলগৰ থাওৰা বামুণবাৰীৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি সন্ধিয়া এখন চৈধ্য চকীয়া ট্ৰাকত চলন্ত অৱস্থাত দাওদাওকৈ জুই জ্বলি উঠে। স্থানীয় প্ৰত্যক্ষদৰ্শী মিন্টু আলী আৰু নাচেৰ আহমেদে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি গুৱাহাটী ফালৰ পৰা তিনিচুকীয়া অভিমুখে চৈধ্য চকীয়া এ পি-১৬ টি ই-৬৭৯৪ নম্বৰৰ খালী ট্ৰাকখন আহি থকা অৱস্থাত হঠাৎ পিছফালৰ সোঁফালৰ এটা টায়াৰ প্ৰচণ্ড শব্দৰে ফুটি উঠাত কাষতে সংযোগ হৈ থকা ট্ৰাকখনৰ ডিজেল টেংকিটো ফুটি যোৱাত টেংকিটোত জুই লাগি যায়। টেংকিটোত জুই লাগি যোৱাত তৎক্ষণাৎ ট্ৰাকখন সম্পূৰ্ণৰূপে জুয়ে আগুৰি ধৰে। স্থানীয় ৰাইজৰ সহযোগত তৎক্ষণাৎ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত অগ্নিনিৰ্বাপক বাহিনীৰ দলটোৱে ঘটনাস্থলীত উপস্থিত হয় যদিও তেতিয়ালৈকে ট্ৰাকখনৰ ৮০ শতাংশই জ্বলি শেষ হৈ যায়। ঘটনা সংঘটিত হোৱাৰ পৰা প্ৰায় বিশ মিনিটৰ পিছত ঘটনাস্থলীত ডিমৌ আৰক্ষী উপস্থিত হৈ ট্ৰেফিক নিয়ন্ত্ৰণ কৰে। এই বাতৰি যুগুত কৰাৰ সময়লৈকে ট্ৰাকখনৰ চালকজনৰ সৈতে কোনো যোগাযোগ স্থাপন কৰিব পৰা নগল। বৰ্তমান ৮০ শতাংশ জ্বলি যোৱা ট্ৰাকখন আৰক্ষীৰ জিম্মাতে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটোৰ ওপৰতে পৰি আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিৰোধী ঐক্যৰ কথা কেৱল

গ্ৰহণ কৰা দেখিবলৈ পোৱা গৈছিল কংগ্ৰেছ আৰু ৰাইজৰ দলৰ একাংশ নেতা-কৰ্মীক। পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে মন্তব্য প্ৰদান কৰি মিত্ৰতাৰ প্ৰশ্নটো অধিক ধূসৰ কৰি তুলিছিল। বিশেষকৈ ৰাইজৰ দলৰ ধৈৰ্য কোঁৱৰ, লক্ষ্যজ্যোতি গগৈ বা কংগ্ৰেছৰ জাকিৰ হুছেইন শিকদাৰ, শিবামণি বৰা প্ৰভৃতি নেতাই পৰস্পৰে পৰস্পৰৰ গালৈ দোষ ঠেলা পৰিলক্ষিত হৈছিল। সামাজিক মাধ্যমত দুই দলৰ অন্যান্য কৰ্মকৰ্তাসকলেও একেই মনোভাব গ্ৰহণ কৰিছিল। মিত্ৰতাৰ প্ৰসংগ আলোচনা হৈ থকাৰ সময়ত দুই দলৰ নেতা-কৰ্মীৰ এনে আচৰণে বিভ্ৰান্ত কৰি তুলিছিল সাধাৰণ ৰাইজক। মিত্ৰতাৰ কথা আলোচনা হৈ থকাৰ সময়ত দুই দলৰ ফালৰ পৰা এনে আচৰণ আশা কৰা নাছিল পৰিৱৰ্তনকামী জনতাই। সেয়ে এই সন্দৰ্ভত এইবাৰ বিশেষ আহ্বান জনাইছে আতিথ্যৰ বৈঠক আহ্বানকাৰী নাগৰিক সমাজে। নাগৰিক সমাজৰ আহ্বান, এতিয়াৰ পৰা আৰু আতিথ্যৰ বৈঠকত অংশ লোৱা বিৰোধী দলকেইটাৰ কোনো নেতাই বিৰোধী ঐক্যৰ সন্দৰ্ভত কোনো মন্তব্য প্ৰকাশ কৰিব নোৱাৰিব। বিৰোধীৰ ঐক্যৰ প্ৰচেষ্টাটোৱে পূৰ্ণাংগ ৰূপ নোপোৱা পৰ্যন্ত ৰাজনৈতিক দলকেইটাক কোনো মন্তব্য নকৰিবলৈ আহ্বান জনাইছে নাগৰিক সমাজৰ নেতৃত্বই। যদি এই সন্দৰ্ভত কিবা মন্তব্য প্ৰকাশ কৰিবলগীয়া হয়, তেনেহ'লে কেৱল নাগৰিক সমাজৰ নেতৃত্বইহে আগবঢ়াব মন্তব্য। এই কথা মঙলবাৰে প্ৰকাশ কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই কয়, আমাক ড০ হীৰেন গোহাঁই নেতৃত্বাধীন নাগৰিক সমাজে কৈছে যে যেতিয়ালৈকে বিৰোধী ঐক্যৰ প্ৰচেষ্টাই পূৰ্ণাংগ ৰূপ নাপায়, তেতিয়ালৈকে ৰাজনৈতিক দলবোৰে এই বিষয় সন্দৰ্ভত মন্তব্য নাৰাখিলে ভাল হয়। এতিয়াৰে পৰা বিৰোধীক একগোট কৰিব পৰা কাম আৰু এই সন্দৰ্ভত মন্তব্য নাগৰিক সমাজে দিব। যেতিয়া তেওঁলোক চূড়ান্ত সিদ্ধান্তত উপনীত হ'ব সেই কথা নাগৰিক সমাজেই জনাব। কংগ্ৰেছ বিৰোধী ঐক্যৰ এটা দলহে। আমাকো নিমন্ত্ৰণ কৰি নিয়া হৈছে নাগৰিক সমাজৰ যোগেদি। নাগৰিক সমাজৰ আহ্বান মানি আমি এই বিষয়টো ৰাজহুৱা মঞ্চত আলোচনা কৰি নাথাকোঁ। অনুৰূপ সিদ্ধান্ত গ্ৰহণ কৰিছে ৰাইজৰ দলেও। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে মঙলবাৰে সদৰী কৰে এই কথা। আনকি সভাপতি অখিল গগৈয়েও বিৰোধী ঐক্য সন্দৰ্ভত কোনো মন্তব্য আগ নবঢ়ায় বুলি উল্লেখ কৰে। যদি কিবা ক'বলগীয়া থাকে তেতিয়া কেৱল ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ৰাছেল হুছেইনেহে বিৰোধী ঐক্য সন্দৰ্ভত মন্তব্য কৰিব পাৰিব। বিৰোধী ঐক্য সন্দৰ্ভত যাতে ভুল বুজাবুজি নহয়, তাৰ বাবে দলটোৱে এই সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি জনাইছে দলটোৰ সভাপতি অখিল গগৈয়ে। সাংবাদিকৰ সন্মুখত এক বিবৃতি প্ৰদান কৰি অখিল গগৈয়ে কয়, ৰাইজৰ দলৰ কোনো নেতা বা সদস্যই বিৰোধী ঐক্য সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰিব নোৱাৰিব। বিৰোধী ঐক্য সন্দৰ্ভত আমাৰ দল আৰু আন দলবোৰে বিভিন্ন মতামত প্ৰকাশ কৰিছে, যিবোৰে ভুল বুজাবুজিৰ সৃষ্টি কৰিব পাৰে। ৰাইজৰ দলে এই ক্ষেত্ৰত ৰাছেল হুছেইনকহে কৰ্তৃত্ব প্ৰদান কৰিছে। এক বিবৃতিত এই কথা উল্লেখ কৰা হয়।

# মন্ত্ৰী অশোক সিংঘলে হিন্দু-মুছলমানৰ ৰাজনীতি উত্তৰপ্ৰদেশ-বিহাৰত কৰকঃ আছু

## সাম্প্ৰদায়িক মন্তব্যৰ প্ৰতিবাদ জনাই নিলম্বিত এআইইউডিএফৰ বিধায়ক

**ই-সংবাদ, ৪ মাৰ্চঃ** হেট স্পিচৰ বিৰুদ্ধে ৰাজ্যসমূহৰ আৰক্ষীক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ইতিমধ্যে উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দি থোৱাৰ পিছতো অসমত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি মন্ত্ৰী, বিধায়ক তথা বিজেপিৰ নেতাসকলে অহৰ্নিশে ধৰ্মবিশেষৰ বিৰুদ্ধে ঘৃণাসূচক মন্তব্য প্ৰদান কৰি আহিছে। এইবাৰ সকলো অতিক্ৰম কৰিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰী পৰিষদৰ জ্যেষ্ঠ মন্ত্ৰী অশোক সিংহলে। মুকলি সভাত ভাষণ প্ৰদান কৰি মিঞাক টাৰ্গেট কৰি মিঞাৰ ল'ৰাক হিন্দুৰ অনুষ্ঠানত দোকান নিদিবলৈ কোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঢেকীয়াজুলিৰ বিধায়ক অশোক সিংহলৰ এক মন্তব্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে শোণিতপুৰ জিলাত। ইয়াত মিঞাক দোকান দিব নিদিব। আমাৰ উৎসৱত মিঞাৰ ল'ৰাই কেনেকৈ সোমাব। ঈদত আমাৰ ল'ৰা নোসোমাই নহয় বুলি মাইকত ভাষণ দি থকাৰ সময়তে বিতৰ্কিত মন্তব্য প্ৰদান কৰে। এজন বিধায়কে ঘৃণাসূচক মন্তব্য প্ৰদান কৰাত সমগ্ৰ ৰাজ্যত প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। শোণিতপুৰ জিলা ছাত্ৰ সন্থাই কয় যে হিন্দু-মুছলমানকে আৰম্ভ কৰি সমগ্ৰ ঢেকীয়াজুলি অঞ্চলত দালালৰাজ চলাইছে সিংহলে। দালালৰাজ আৰম্ভ কৰি হিন্দু-মুছলমানৰ গেম খেলিছে। অশোক সিংহলে হিন্দু-মুছলমান ৰাজনীতি কৰিবলৈ আৰম্ভ কৰিছে। আমি বাৰে বাৰে কৈছো এইখন অসম খিলঞ্জীয়া মানুহৰ অসম। এইখন অসম বিভিন্ন জাতি, জনগোষ্ঠী, বিভিন্ন ধৰ্মাৱলম্বী লোকেৰে গঠিত। এইখন অসমত যি কথা ক'ব খিলঞ্জীয়া মানুহে ক'ব। এইখন অসমত যি কাম কৰিব অসমীয়া মানুহে কৰিব। অসমৰ ভূমিপুত্ৰসকলে কৰিব। এইখন অসম অসমীয়া মানুহৰ অসম। অশোক সিংহল অখিলঞ্জীয়া মন্ত্ৰী হৈ হিন্দু-মুছলমানৰ বিষবাষ্প ছটিয়াব নালাগে। যদি বিষবাষ্প ছটিয়ায় তেন্তে উত্তৰ প্ৰদেশ, বিহাৰ, হাৰিয়ানালৈ যাওক। এইখন অসমত সকলো জাতি-জনগোষ্ঠী ঐক্যবদ্ধ হৈ জীয়াই থকাটো বিচাৰো। আনহাতে, মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে বিধি ভংগৰ অভিযোগ আনি এআইইউডিএফৰ বিধায়সকলে উত্তপ্ত কৰে বিধানসভাৰ মজিয়া। সিংহলৰ বিতৰ্কিত মন্তব্যক লৈ সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে ইউডিএফৰ বিধায়কসকলে। এআইইউডিএফৰ ১৪ জন বিধায়কক ১০ মিনিটৰ বাবে নিলম্বন কৰে অধ্যক্ষই। মিঞা মানুহৰ বিৰুদ্ধে ঘৃণনীয় আৰু সংবিধানবিৰোধী মন্তব্য দিয়াৰ অভিযোগ আনি এআইইউডিএফে  সদনত বিশেষ অধিকাৰ ভংগৰ জাননী সংক্ৰান্তত আলোচনা কৰিব বিচাৰে যদিও অধ্যক্ষই এই প্ৰসংগত আলোচনা নকৰি সদন ২০ মিনিটৰ বাবে স্থগিত ৰাখে। পৰৱৰ্তী সময়ত পুনৰ সদন চলাত প্ৰতিবাদ সাব্যস্ত কৰাত সদনৰ  পৰা নিলম্বন কৰে। বিধানসভাৰ বাজেট অধিৱেশনৰ ষষ্ঠ দিনটোত একেলগে বিধায়কসকলক নিলম্বন কৰে উপাধ্যক্ষ ডাঃ নোমল মমিনে। ইয়াৰ পূৰ্বে প্ৰশ্নকালীন ঘণ্টাত বিৰোধীৰ তিনিজন বিধায়কক নিলম্বন কৰে অধ্যক্ষ বিশ্বজিত্ দৈমাৰীয়ে। একে সময়তে বাজেট অধিৱেশনৰ ষষ্ঠ দিনটোত সদনৰ পৰা নিলম্বন কৰে ১৪ বিধায়কক। উল্লেখ্য যে মন্ত্ৰী সিংহলে এখন সভাত অংশ লৈ কৈছিল "মিঞাক নিদিব। আমাৰ উৎসৱত মিঞাৰ ল'ৰাই কেনেকৈ সোমাব। ঈদত আমাৰ ল'ৰা নোসোমাই নহয়। চবৰ নিজৰ নিজৰ আছে। আপোনাৰ নিজৰ খাদ্য, পোছাক আছে। তেওঁলোকৰ নিজৰ পৰম্পৰা আছে। আপোনালোকে যিটো পূজা কৰে, সিঁহতে সেইটো খায়। আকৌ আপোনালোকে দোকান পাতিবলৈ দিলে। এইটো মোৰ সমষ্টিত নচলিব। নহ'লে মোৰ লগত আপোনালোকৰ কাজিয়া লাগি যাব। মোৰ কথা চিধা। ভোটৰ লগত কথা নাই। যাৰ লগত আছো এশ শতাংশই আছো। যাৰ লগতে নাই এক শতাংশও নাই। আপোনালোকে যদি ইহঁতৰ লগতে হলি-গলি কৰে আপোনালোকৰ লগতো নাই। কথাখিনি মুকলিকৈ ক'লো। আপোনালোকে বেয়াটো পোৱা নাই। মোৰ কথাখিনি ভাল হৈছে নে বেয়া হৈছে। হাত চাপৰি দিয়া নাই। মই ভাবিছো আপোনালোকে মোৰ লগত নাই, কষ্ট পাইছে নেকি? মই যুদ্ধ কৰি আছো। আপোনালোকে যদি সাহস নিদিয়ে। সাংবাদিকসকলে ভালকৈ বজাবি। ই কেৱল হিন্দুৰ কথা কয়। মিঞাক বেয়া পায়।"

# স্বাস্থ্য মন্ত্ৰীৰ নিৰ্দেশকো কেৰেপ নকৰে প্ৰাথমিক স্বাস্থ্য বিষয়া আফজাল ৰেজ্জাই

**ই-সংবাদ, শিমলীতোলা, ৪ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমিষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰ নৈপৰীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া ডাঃ আফজাল ৰেজ্জাৰ শেষতীয়া কৰ্মকাণ্ডই পুনৰাই উন্মোচিত কৰিছে স্বাস্থ্য বিভাগৰ পয়ালগা ছবি। পৰিৱৰ্তন কামী বিজেপি চৰকাৰখনে উন্নয়নৰ নামত ঢাক-ঢোল বজালেও গাঁও অঞ্চলত যে ইয়াৰ প্ৰভাৱ একেবাৰে শূন্য তাৰে বাস্তৱ ছবি উদঙাই দিছে স্বাস্থ্য কেন্দ্ৰটোৱে। ইতিমধ্যে ডাঃ ৰেজ্জাৰ বিৰুদ্ধে একমাত্ৰ চিকিৎসক হৈও সপ্তাহত তিনি দিন উপস্থিত নথকা, ৰোগীৰ পৰা চিকিৎসাৰ নামত পইচা খোজা, ডেলিভাৰী আৰু জন্ম চাৰ্টিফিকেটৰ নামত বৃহৎ খেলেমেলি কৰাৰ লগতে স্বাস্থ্য মন্ত্ৰীয়ে দিয়া নিৰ্দেশনাকো কেৰেপ নকৰা বিতৰ্কিত ডাঃ ৰেজ্জাই স্বাস্থ্য কেন্দ্ৰত নথকা ঔষধ লিখাৰ লগতে বিধানপত্ৰত নিজৰ নম্বৰ লিখি দিয়া, চিকিৎসক-নাৰ্চ থকাৰ পিছত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰে ইনজেকচন দিয়া ইত্যাদি বিভিন্নজনে বিভিন্ন সময়ত অভিযোগ উত্থাপন কৰি আহাৰ উপৰি কালি ১ বজাৰ পিছত বাঘমাৰা চৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত বেমাৰী এগৰাকীক লৈ আহে যদিও ডাঃ ৰেজ্জাই ১ বজাৰ পিছত কোনো ৰোগী চোৱা নহয় বুলি



কয়। ৰোগীজনে অনুৰোধ কৰাৰ পিছতো তিলমানো গুৰুত্ব নিদিয়ে। ডাঃ ৰেজ্জাৰ শেষতীয়া কৰ্মকাণ্ডই বৃহত্তৰ বাঘমাৰা চৰৰ লগতে পাৰ্শ্বৱৰ্তী কেইবাটাও অঞ্চলৰ ৰোগীসকলৰ মাজত সৃষ্টি হৈছে এক হাহাকাৰময় পৰিস্থিতি। চিকিৎসালয়খনত নিতৌ পাৰ্শ্বৱৰ্তী কেবাটাও অঞ্চলৰ শ শ ৰোগীয়ে চিকিৎসা কৰিবলৈ আহে যদিও চিকিৎসকৰ অনীয়মীয়া উপস্থিতিৰ বাবে বিনা চিকিৎসাই ঘূৰি যাব লগীয়া হোৱা বুলি সাংবাদিকৰ আগত ৰোগীসকলে সদৰী কৰে। এতিয়া প্ৰশ্ন হয়, আচলতে কাৰ ছত্ৰ-ছায়াত চিকিৎসালয়খনত নিয়োজিত চিকিৎসক ডাঃ আফজাল ৰেজ্জাই সপ্তাহত মাত্ৰ তিনি দিন উপস্থিত থাকিয়েই ভোগ কৰি আছে চৰকাৰী বেতন। পূৰ্বৰ বৰপেটা জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক হাসমত আলীক বাৰে বাৰে কোৱাৰ পিছতো কোনো গুৰুত্ব নিদিয়া অভিযোগ উত্থাপন কৰিছে একাংশ সচেতন লোকে। অৱশ্যে বৰপেটা জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক নতুনকৈ যোগদান কৰা ডাঃ কামেশ্বৰ লহকৰে বিষয়টো কেনেদৰে লয় সেয়া হ'ব লক্ষণীয়।









## কলাত্মক চিন্তাৰে সামগ্ৰী নিৰ্মাণ কৰি ৰাইজৰ পৰা বুটলিছে অপাৰ মৰম

# হাতেৰে বিয়াৰ নিমন্ত্ৰণী পত্ৰ সজাই চৰ্চাত যোৰহাটৰ সুস্মিতা

**ই-সংবাদ, টীয়ক, ৪ মাৰ্চঃ** সময়ৰ সৈতে সলনি হৈছে প্ৰতিটো দিশ। বিবাহৰ নিমন্ত্ৰণীৰ ক্ষেত্ৰতো আধুনিকতাৰ পৰশ পাইছে। অৱশ্যে আধুনিকতাই যিমানেই গ্ৰাস নকৰক কিয় তথাপি হাতেৰে নিৰ্মাণ কৰা নিমন্ত্ৰণী পত্ৰৰ সুকীয়া সৌন্দৰ্য আছে। আদৰ আছে সৃজনীশীল চিন্তাৰ। এনে এক চিন্তাৰে ৰাইজৰ আস্থা লাভ কৰিছে যোৰহাটৰ মেলেং বহত গাঁৱৰ সুস্মিতা শৰ্মাই। সুস্মিতা শৰ্মাই হাতেৰে তৈয়াৰ কৰা সুন্দৰ আৰু সৃজনশীল নিমন্ত্ৰণী পত্ৰ আজি চৰ্চাৰ কেন্দ্ৰ বিন্দু। দৰা-কইনাৰ বিশেষ দিনটোৰ নিমন্ত্ৰণী পত্ৰ হাতেৰে সজাই ৰাইজৰ আদৰ লাভ কৰাৰ লগতে বজাৰ দখল কৰিছে। ৰুমাল, এমব্ৰয়ডাৰীৰ লগতে নতুন নতুন আৰ্হিত বিয়াৰ নিমন্ত্ৰণী পত্ৰ সজাই এতিয়া বজাৰ দখল কৰিছে সুস্মিতাই। এনেধৰণৰ নিমন্ত্ৰণীয়ে অতিথিসকলকো দিছে এক বিশেষ অনুভূতি। বিয়াৰ নিমন্ত্ৰণী পত্ৰৰ উপৰি বিভিন্ন অনুষ্ঠানৰ বাবে হাতেৰে ডিজাইন কৰা সম্বৰ্ধনাৰ উপহাৰ নিৰ্মাণ কৰি আদৰ বুটলিছে ৰাইজৰ। শেহতীয়াকৈ যোৰহাট, লখিমপুৰ, শিৱসাগৰ, গোলাঘাটৰ তথা গুৱাহাটীৰ কেইবাটাও আগশাৰীৰ প্ৰতিষ্ঠানৰ বাবে নিয়মীয়াকৈ সম্বৰ্ধনাৰ সামগ্ৰী নিৰ্মাণ কৰি আদৰ লাভ কৰিছে। ছ'চিয়েল মিডিয়া মাধ্যমৰ জৰিয়তে জন্ম দিয়া সুস্মিতা শৰ্মাৰ 'সুস্মিতা গেলাৰী' আৰম্ভ হৈছিল সৰুকৈ। কিন্তু তেওঁৰ শৈল্পিক চিন্তাধাৰা আৰু নিৰলস পৰিশ্ৰমৰ ফলত আজি ইয়াৰ সমাদৰ বৃদ্ধি পাইছে। জন্মদিনৰ উপহাৰ, বিবাহৰ উপহাৰ, মেখেলা-চাদৰ ডিজাইন আদিৰ জৰিয়তে পৰিচয় গঢ়িছে সুস্মিতা শৰ্মাই। সামগ্ৰী প্ৰস্তুত কৰাৰ উপৰি তেওঁ ব্যক্তিগত ৰুচি অনুযায়ী কাষ্টমাইজড ডিজাইনো প্ৰস্তুত কৰে হাতৰ পৰশেৰে। সুস্মিতাই কয় যে মানুহে হাতেৰে নিৰ্মাণ কৰা বস্তুৰ মাজত এক বিশেষ মৰম অনুভৱ কৰে। সেই মৰমটো বুটলিবলৈ আমি সদায়ে চেষ্টা কৰোঁ। তেওঁৰ শৈল্পিক চিন্তাধাৰা আৰু পৰিশ্ৰমৰ বাবেই 'সুস্মিতাৰ গেলাৰী' আজিৰ দিনত অনলাইনযোগে জনপ্ৰিয়তা লাভ কৰিছে। অনলাইনযোগে অৰ্ডাৰৰ লগতে দ্ৰুত ডেলিভাৰী ব্যৱস্থা সম্ভৱ কৰি তোলাৰ বাবে অসমৰ বাহিৰতো চাহিদা বাঢ়িছে সুস্মিতাৰ কামৰ। হাতেৰে নিৰ্মাণ কৰা শিল্পক নতুন দিশ দিয়া সুস্মিতাৰ এই প্ৰচেষ্টাই বহু শৈল্পিক চিন্তাধাৰাৰ ব্যক্তিক অনুপ্ৰাণিত কৰিছে।

# পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ পৰিছে বৰপেটাৰ মেডিকেল কলেজ হাস্পতালৰ বাহিৰৰ বজাৰ

**ই-সংবাদ, বৰপেটাৰোড, ৪ মাৰ্চঃ** বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ এণ্ড হাস্পতালৰ প্ৰৱেশদ্বাৰৰ সমীপৰ অস্থায়ী বজাৰত খাদ্য, কাপোৰ, ফল-মূল, শাক-পাচলি বিক্ৰী কৰা প্ৰায় ৫০টা ষ্টল থকা অস্থায়ী বজাৰখনে প্ৰায় ৫০০ লোকক জীৱিকাৰ বাবে সহায় কৰে। বজাৰখনক সংগঠিত কৰাৰ লগতে ইয়াক স্থায়ী বাণিজ্যিক কেন্দ্ৰ হিচাপে স্বীকৃতি দিয়াৰ বাবে স্থানীয় ব্যৱসায়ীসকলে সঠিক প্ৰৱেশ পইন্ট স্থাপন কৰা, পদ্ধতিগতভাৱে জাৱৰ নিষ্কাশন নিশ্চিত কৰা, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা আৰু অঞ্চলটোত অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ কৰা আদি কেইবাটাও মূল লক্ষ্যৰে এফ এ এ এম চি অস্থায়ী বজাৰ সমিতি (এফ টি এম চি) গঠন কৰে। ইতিমধ্যে সমিতিখনে পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান আৰম্ভ কৰাৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতা বৃদ্ধিৰ বাবে ডাষ্টবিন স্থাপন কৰিছে। ইয়াৰ উপৰি অতিমাত্ৰা ভিৰ নহ'বলৈ অধিক ব্যৱসায়ীক সংযোজন ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰশাসনে এই প্ৰচেষ্টাক আদৰণি জনাইছে। শেহতীয়াকৈ বৰপেটাৰ অতিৰিক্ত আয়ুক্ত জয়ন্ত বৰাৰ নেতৃত্বত এটা দলে স্থান পৰিদৰ্শন কৰি স্বচ্ছতাৰ প্ৰশংসা কৰে। তেওঁ জাৱৰ আঁতৰোৱাৰ বাবে পৌৰসভাৰ টাই-আপৰ কথাও ঘোষণা কৰে। অঞ্চলটো স্থানীয় পৌৰসভাৰ এলেকাৰ বাহিৰত থকাৰ পিছতো, সেৱাৰ বাবে ধন পৰিশোধৰ ব্যৱস্থা কৰা হৈছে।ব্যৱসায়ীসকলৰ মতে, এই পদক্ষেপে বজাৰত অতি প্ৰয়োজনীয় অৰ্ডাৰ আনিব। "আগতে অশান্তিপূৰ্ণ আছিল, কিন্তু এতিয়া ইয়াক সংগঠিত কৰিব পৰা গৈছে। এটা সঠিক নিৰ্বাচিত সংস্থা পোৱাৰ বাবে আমি ধন্যবাদী।'-এজন বিক্ৰেতাই এইদৰে কয়। এফ টি এম চিয়ে বজাৰখনক স্থায়ী বাণিজ্যিক কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈও আহ্বান জনাইছে আৰু শীঘ্ৰে ওপৰৰ কৰ্তৃপক্ষৰ সৈতে বিষয়টো লৈ যোৱাৰ পৰিকল্পনা কৰিছে। উল্লেখ্য যে বজাৰখনে চিকিৎসালয়ৰ কেন্টিনৰ বিকল্প হিচাপে কাম কৰে, ৰোগী আৰু দৰ্শনাৰ্থীৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰে।

## ছাগলীয়াত বন বিভাগৰ সমুখতে মাটিৰ চিণ্ডিকেট

**ই-সংবাদ, গোলকগঞ্জ, ৪ মাৰ্চঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তত ছাগলীয়া বন বিভাগৰ নেতৃত্বত ব্যাপক হাৰত মাটিৰ ছিণ্ডিকেট চলাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, ছাগলীয়া বন গাৰ্ণনিক বিষয়াৰ কাৰ্যালয়ৰ লগত বুজাবুজি কৰি বহুকেইটা মাটিৰ ছিণ্ডিকেট গা কৰি উঠিছে। কৃষক ৰাইজক ধনৰ প্ৰলোভন দি নিৰ্বিবাদে জেচিবিৰে খনন কাৰ্য চলাই আহিছে। বিভাগীয় ৰয়েল্টি ফাঁকি দি ছিণ্ডিকেট বাহিনীয়ে মাটি খনন কৰি অনুজ্ঞাপত্ৰহীনভাৱে গঢ়ি উঠা ইটাভাটাসমূহত যোগান ধৰি আহিছে। ৰয়েল্টি ফাঁকি দি যমৰ যাতনা ভোগাইছে পথচাৰীসকলক। মাটি কঢ়িওৱা ডাম্পাৰ আৰু ট্ৰেক্টৰৰ দৌৰাত্ম্যত সৰ্বসাধাৰণ ৰাইজে ত্ৰাহিমধুসুধন সুঁৱৰিছে। যাতায়াত বিপজ্জনক হৈ পৰিছে সাধাৰণ ৰাইজৰ লগতে বিদ্যালয়লৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও। এই সন্দৰ্ভত ছাগলীয়া বন গাৰ্ণনিক বিষয়া কবিন বৰা, জিলা বন সংমণ্ডল বিষয়া পাঠকক জিপিএছ ফটো দিও কোনো সুফল লাভ কৰা নাই।

# খাৰুপেটীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এনএইচএম কৰ্মীৰ কৰ্মবিৰতি

**ই-সংবাদ, খাৰুপেটীয়া, ৪ মাৰ্চঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি দৰং জিলাৰ খাৰুপেটীয়াতো নিজৰ প্ৰাপ্য বিচাৰি স্বাস্থ্য কৰ্মীসকলে আজি কৰ্মবিৰতি কাৰ্যসূচী ৰূপায়ণ কৰে। খাৰুপেটীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কাৰ্যালয় প্ৰাংগণত শতাধিক স্বাস্থ্য কৰ্মীয়ে তিনিদিনীয়া কৰ্মবিৰতি কাৰ্যসূচী হাতত লৈছে। সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাৰ উদ্যোগত তিনিদিনীয়াকৈ হাতত লোৱা প্ৰতিবাদী কাৰ্যসূচীৰ বাবে অচল হৈ পৰিছে স্বাস্থ্য সেৱা। চাকৰি নিয়মীয়া কৰণ, পেঞ্চনৰ ব্যৱস্থা গ্ৰহণ কৰা, সম কামৰ সম মজুৰি প্ৰদান ইত্যাদি দাবীৰে আজি প্ৰথম দিনা বিভিন্ন শ্ল’গানেৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে স্বাস্থ্য কৰ্মীসকলে। স্বাস্থ্য কৰ্মীসকলে দাবী পূৰণ নোহোৱা পৰ্যন্ত প্ৰতিবাদ অব্যাহত ৰাখিব বুলি জানিবলৈ দিছে।

# চামতা সামুহিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্য কৰ্মীৰ তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, চামতা, ৪ মাৰ্চঃ** নলবাৰী জিলাৰ চামতা সামুহিক স্বাস্থ্য কেন্দ্ৰত হাতত প্লে কাৰ্ড লৈ স্বাস্থ্য কৰ্মীয়ে কৰ্মবিৰতি কাৰ্যসূচী ৰূপায়ণ কৰে। দীৰ্ঘদিনীয়া বঞ্চনাৰ প্ৰতিবাদত স্বাস্থ্য কৰ্মীয়ে আজিৰ পৰা তিনিদিনীয়া কৰ্মবিৰতি কাৰ্যসূচী আৰম্ভ কৰিছে। ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অধীনৰ প্ৰায় ২৫ হাজাৰৰো অধিক চিকিৎসক তথা স্বাস্থ্য কৰ্মীয়ে পালন কৰে কৰ্মবিৰতি। নলবাৰী জিলাৰ স্বাস্থ্য কৰ্মীয়েও আজিৰে পৰা তিনিদিনীয়াকৈ কৰ্মবিৰতি কাৰ্যসূচীৰ প্ৰথম দিনাত হাতত প্লে কাৰ্ড লৈ কৰ্মবিৰতি কাৰ্যসূচী পালন কৰে।

# ডিমাকুছিত জহামাল উদ্ধাৰ

**ই-সংবাদ, ডিমাকুছি, ৪ মাৰ্চঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ অঞ্চলসমূহত বৃদ্ধি পাইছে বন্যপ্ৰাণীৰ বিচৰণ। স্থানীয় বৰনদী অভয়াৰণ্য আৰু খালিংদুৱাৰ বনাঞ্চলৰ পৰা জনাঞ্চললৈ আগমন ঘটে বিভিন্ন বন্যপ্ৰাণীৰ। অভয়াৰণ্যৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত দেখা পোৱা যায় বন্যহস্তী, বন গাহৰি, অজগড়, মেথোন, হৰিণ, ধনেশ পক্ষী, ময়ূৰ, বনৰৌ, বান্দৰকে ধৰি বিভিন্ন বন্যপ্ৰাণী। মঙলবাৰে ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ ডিমাকুছিৰ বৰংগাজুলি চাহ বাগিচাৰ মন বাহাদুৰ মগৰ নামৰ ব্যক্তিগৰাকীৰ ঘৰৰ চৌহদত এটা প্ৰায় ৩ কিঃ গ্ৰাঃ ওজনৰ জহামাল উদ্ধাৰ হয়। মগৰৰ পৰিয়ালে জহামালাটো প্ৰত্যক্ষ কৰি প্ৰকৃতি প্ৰেমী মণ্টু পাঁচনিক খবৰ দিয়ে। লগে-লগে অঞ্চলটোৰ ৰাইজে মগৰৰ বাসগৃহত জহামালাটো প্ৰত্যক্ষ কৰিবলৈ ভিৰ কৰে। প্ৰকৃতিপ্ৰেমী আৰু স্থানীয় সাংবাদিকৰ জৰিয়তে উদ্ধাৰ হোৱা জহামালাটো স্থানীয় বৰনদী অভয়াৰণ্যৰ বনকৰ্মীৰ হাতত চমজাই দিয়া হয়। বনকৰ্মীয়ে জহামালাটো উদ্ধাৰ কৰি কোনোবা দুষ্কৃতিকাৰীয়ে আহত কৰাৰ ফলত এনেদৰে বনাঞ্চলৰ পৰা জীৱন ৰক্ষাৰ বাবে ওলাই অহাৰ সন্দেহ কৰিছে। বনকৰ্মীয়ে আহত জহামালটোক চিকিৎসাৰ বাবে লৈ যায়।



**ডিমাকুছিত উদ্ধাৰ হোৱা আঘাতপ্ৰাপ্ত জহামালটো, ফটোঃ ই-সংবাদ, ডিমাকুছি**

# গণেশগুৰিৰ ‘মান্যবৰ’ত থলুৱা কৰ্মচাৰীক নিৰ্যাতন ৰাহুল চৌহানৰ

**ই-সংবাদ, ৪ মাৰ্চঃ** গুৱাহাটীৰ মাজ-মজিয়াত অনা-অসমীয়া বণিয়াৰ দপ-দপনি দিনে দিনে বৃদ্ধি পাইছে। এইবাৰ গণেশগুৰিৰ বিতৰ্কিত ব্যৱসায়িক প্ৰতিষ্ঠান ‘মান্যবৰ’ত কৰ্মৰত থলুৱা যুৱক-যুৱতীসকলক ব্যাপক নিৰ্যাতন চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাই সমগ্ৰ অসমত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ‘মান্যবৰ’ নামৰ এই বিপণীখনত প্ৰায় ২০ গৰাকী অসমীয়া যুৱক-যুৱতীয়ে কাম কৰে। অভিযোগ অনুসৰি, বিপণীখনৰ মেনেজাৰ ৰাহুল সিং চৌহানে তাত কৰ্মৰত কৰ্মচাৰীসকলক কোনো কথা অবিহনেই মানসিক, শাৰীৰিকভাৱে নিৰ্যাতন কৰে। কৰ্মচাৰীসকলে দীৰ্ঘ সময় ধৰি কাম কৰিবলৈ বাধ্য কৰায়। দিনটোত প্ৰায় ১২ ঘণ্টা সময় কামত নিয়োগ কৰোৱাৰ লগতে অহা-যোৱাত এক মিনিট সময় পলম হ’লেই এদিনৰ দৰমহা কৰ্তন কৰে। আনকি দুপৰীয়া আহাৰৰ বাবে কৰ্মচাৰীসকলক যাবলৈও অনুমতি নিদিয়ে মেনেজাৰে। এইবোৰ কাৰ্য্যৰ ফলত কৰ্মচাৰীসকল মানসিকভাৱে অত্যন্ত পীড়িত হৈ পৰিছে। কৰ্মচাৰীসকলে আজি মেনেজাৰ ৰাহুল সিং চৌহানৰ বিৰুদ্ধে বিক্ষোভ প্ৰকাশ কৰে। তেওঁলোকে এই নিৰ্যাতনৰ বিৰুদ্ধে ন্যায় দাবী কৰিছে। নিৰ্যাতনৰ বলি কৰ্মচাৰীসকলে ব্যাপক ক্ষোভ প্ৰকাশ কৰিছে। অত্যাচাৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ আৰু প্ৰশাসনক আহ্বান জনাইছে। এই ঘটনাই অসমৰ বিভিন্ন ঠাইত অনা-অসমীয়া বণিয়াৰ দ্বাৰা থলুৱা লোকসকলৰ ওপৰত চলোৱা অত্যাচাৰৰ এক গুৰুতৰ সমস্যাৰ প্ৰতিফলন ঘটাইছে। এই ধৰণৰ কাৰ্যকলাপৰ বিৰুদ্ধে সংগঠিত হ’বলৈ আৰু নিজৰ অধিকাৰ ৰক্ষা কৰিবলৈ আহ্বান জনাইছে একাংশ অসমীয়াই। এই পৰিস্থিতিৰ সমাধানৰ বাবে চৰকাৰী হস্তক্ষেপ আৰু নীতি নিৰ্ধাৰণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে একাংশ লোকে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## উদীয়মান সংগীত শিল্পী অবিনাশ মেধিৰ অকাল মৃত্যু চান্দকুছিত শোকৰ ছাঁ



**ই-সংবাদ, নলবাৰী, ৪ মাৰ্চঃ** নলবাৰী জিলাৰ চান্দকুছি (মেধি চুবুৰী) গাঁও নিবাসী উদীয়মান সংগীত শিল্পী, প্ৰতিভাৱান যুৱক অবিনাশ মেধি(৩১)ৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। প্ৰতিভাৱান সংগীত শিল্পী অবিনাশৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। অতি নম্ৰ স্বভাৱৰ অবিনাশ কিছু দিন ধৰি জ্বৰ-মূৰৰ বিষৰ ৰোগত ৰোগাক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। হাইস্কুলীয়া আৰু মহাবিদ্যালয় পৰ্য্যায়তত তেওঁ শ্ৰেষ্ঠ গায়কৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ 'সম্ভৱনা' অনুষ্ঠানত তেওঁ শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। গুৱাহাটীৰ এটা ব্যক্তিগত প্ৰতিষ্ঠানত নিযুক্ত হৈ তেওঁ এগৰাকী দায়িত্বশীল কৰ্মচাৰী হিচাপে নিজৰ কৰ্তব্য পালন কৰিছিল। প্ৰতিভাধৰ যুৱকজনৰ মৃত্যুত বিভিন্ন অনুষ্ঠানে শোক প্ৰকাশ কৰিছে। আজি দিনৰ ভাগত অসংখ্য সহপাঠী, অনুষ্ঠানৰ প্ৰতিধিনি-লোকৰ উপস্থিতিত প্ৰতিভাৱান যুৱকজনৰ শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত অবিনাশে পিতৃ, মাতৃ, ভাতৃসহ বহু আত্মীয়-স্বজনকক এৰি থৈ যায়।

# হাটখোলাত গায়ন-বায়ন,হৰিনামৰ জয়ধ্বনিৰ মাজত বংশাৱলী সভা সম্পন্ন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৪ মাৰ্চঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ অন্তৰ্গত হাটখোলা গাঁৱত পৰম্পৰাগত বেটেৰি বংশৰ বংশাৱলী সভা সোমবাৰে নিশা সম্পন্ন হৈ যায়। বংশাৱলী সভাৰ উপলক্ষে সোমবাৰে গাঁওবাসীয়ে পৰম্পৰাগত মায়ামৰা বৈষ্ণৱ ধৰ্মৰ ৰীতি নীতিৰে গায়ন-বায়ন পৰিবেশন কৰে। হৰিনামৰ জয়ধ্বনিৰে উদুলি মুদুলি হৈ পৰে বৃহত্তৰ হাটখোলা গাঁও। জানিব পৰামতে ১৪ বছৰ মুৰে মুৰে বেটেৰি বংশৰ পৰিয়ালে একগোট হৈ পালন কৰে এই সভা। এই বংশাৱলী সভাখন দুদিনীয়া কৈ অনুষ্ঠিত হয়। গাঁওখনৰ বৈষ্ণৱ ভকত -গোপিনী তথা সকলো বয়সৰ লোকসকলৰ উপস্থিতিত এই সভাখন অনুষ্ঠিত কৰি বৈষ্ণৱ ভকতৰ শ্ৰী চৰণত পৰিয়ালটোৰ বাবে আশীৰ্বাদ লয়।

# চাবুৱাত ড্ৰাগছসহ দুই যুৱকক গ্ৰেপ্তাৰ




**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৪ মাৰ্চঃ** চাবুৱাত ড্ৰাগছ বিৰোধী অভিযান অব্যাহত আছে। আজি পুনৰ চাবুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীৰ নেতৃত্বত এটা দলে অভিযান চলাই দুজন যুৱকক ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। চাবুৱা চাৰিআলিত চলোৱা অভিযানত আৰক্ষীয়ে ড্ৰাগছসহ দুই যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। নিষিদ্ধ ড্ৰাগছৰ লগতে মোবাইল ফোন আৰু অন্যান্য সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত চাবুৱা আৰক্ষীয়ে যুৱকদ্বয়ে ড্ৰাগছ সৰবৰাহ কৰাৰ খবৰ লাভ কৰে। তাৰ পিছতে অভিযান চলাই যুৱকদ্বয়ক ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। যুৱক দুজনৰ ঘৰ ৰহমৰীয়াত বুলি জানিব পৰা গৈছে। বৃহত্তৰ চাবুৱা অঞ্চলত ড্ৰাগছৰ বেহা দিনে দিনে বৃদ্ধি পাইছে। ফলত চিন্তাত পৰিছে স্থানীয় ৰাইজ। আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি ড্ৰাগছ ৰোধৰ বাবে কটকটীয়া অভিযান চলাই যাব বুলি জানিবলৈ দিছে।

# মালিকুছি দৌল মহোৎসৱৰ মহাৰজত জয়ন্তীৰ প্ৰস্তুতি

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৪ মাৰ্চঃ** নামনি অসমৰ নলবাৰী চহৰৰ মালিকুছিত অৱস্থিত ঐতিহাসিক শ্যামৰায় সত্ৰৰ ৭৫ সংখ্যক দৌল মহোৎসৱৰ এইবেলি মহাৰজত জয়ন্তী মহোৎসৱৰ ব্যাপক আয়োজন কৰা হৈছে। শ্যামৰাই সত্ৰ বাকৰিত অহা ১৩ৰ পৰা ১৭ মাৰ্চলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এইবাৰ মহাৰজত জয়ন্তী অনুষ্ঠিত হ'ব। মহোৎসৱৰ প্ৰচাৰ বিভাগৰ তত্ত্বাৱধায়ক সাংবাদিক মনোজ শৰ্মাই জনোৱা মতে, অহা ১৩ মাৰ্চৰ পুৱা ৮ বজাত শ্ৰী শ্ৰী শ্যাম ৰায় সত্ৰৰ ধৰ্মধ্বজা উত্তোলনেৰে সত্ৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ অনিমেষ কুমাৰ শৰ্মাই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। ইয়াৰ পিছত মহাৰজত জয়ন্তী দৌল মহোৎসৱৰ পতাকা উত্তোলন কৰিব মহোৎসৱ পৰিচালনা সমিতিৰ সভাপতি হেমন্ত কুমাৰ বৰ্মনে। ইয়াৰ লগে লগে জিলাখনলৈ ৭৫ গৰাকী বিশিষ্ট ব্যাক্তিয়ে ৭৫ খন পতাকা উত্তোলন কৰিব। পুৱা ৯.৩০ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব নলবাৰী পৌৰসভাৰ পৌৰপতি জয়শ্ৰী তালুকদাৰে। সিদিনাই স্বচ্ছ অভিযান, গছপুলি ৰোপণৰ পিছত সন্ধিয়া মূল মণ্ডপৰ বন্তি প্ৰজ্বলন কৰিব সমাজসেৱী নিলীমা দেৱীয়ে। সন্ধিয়া ৬ বজাত মহাৰজত জয়ন্তী দৌল মহোৎসৱৰ দ্বাৰ উন্মোচন কৰিব সমাজকৰ্মী অজিত শৰ্মাই। ইয়াৰ পিছত আতচবাজী প্ৰজ্বলন কৰিব জিলা বিজেপিৰ সভাপতি জয়ন্ত কুমাৰ বুজৰবৰুৱাই।৬.৩০ বজাত মহাৰজত জয়ন্তী দৌল মহোৎসৱৰ উদ্বোধনী আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হ'ব। মহোৎসৱ উদযাপন সমিতিৰ সভাপতি হেমন্ত কুমাৰ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, জিলা আয়ুক্ত বৰ্ণালী ডেকা, পৰিবহণ বিষয়া মনোজ কুমাৰ চৌধুৰী আৰু হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক শ্ৰীকান্ত শাস্ত্ৰী উপস্থিত থাকিব। নিশা ৮ বজাত গ্ৰন্থমেলা উদ্বোধন কৰিব ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সংঘ চালক ডাঃ উমেশ চন্দ্ৰ চক্ৰৱৰ্তীয়ে। নিশা কৰিশ্মা নাথৰ নাগাৰা নাম উদ্বোধন কৰিব বিশিষ্ট অভিনেতা ধীৰেন বৰ্মনে। দ্বিতীয় দিনা পূজা আৰম্ভ, হোমযজ্ঞ, পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, ভোগ বিতৰণ, ওজাপালি আৰু কৈহাটীৰ ঢুলীয়া প্ৰদৰ্শন, আৱতি প্ৰদান আৰু নিশা ঢুলীয়াৰ দ্বাৰা নাট প্ৰদৰ্শন। তৃতীয় দিনা পূজা-অৰ্চনা, হোলিগীত আৰু সমূহীয়া ফাকুখেল, আয়তীৰ নাম, অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা। নিশা মুগকুছি মিলন নাট্য গোষ্ঠীৰ নাট প্ৰদৰ্শন। চতুৰ্থ দিনা পূজা আৰম্ভ, আয়তীৰ নাম, শ্ৰীকৃষ্ণ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, আৱতি প্ৰদান। ইয়াৰ পিছত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ লীনা ডেকাই। নিশা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী গণেশ তামুলীয়ে। জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনে আঁত ধৰিব লগা অনুষ্ঠানত কণ্ঠশিল্পী গীতালি দেৱী আৰু দীপক দাসে গীত পৰিৱেশন কৰিব। কাৰ্যসূচীত ৰাইজৰ সহযোগ কামনা কৰিছে আয়োজকে।

# কলগাছিয়াত হাইজেক হোৱা ৮০ কাৰ্টুন সুৰা জব্দ বৰভিঠা আৰক্ষীৰ, দুজনক গ্ৰেপ্তাৰ

**ই-সংবাদ, কলগাছিয়া, ৪ মাৰ্চঃ** কলগাছিয়াৰ মুহিয়া গাঁৱৰ পৰা হাইজেক হোৱা ৮০ কাৰ্টন সুৰাভৰ্তি এখন ট্ৰাক বৰভিঠা আৰক্ষীয়ে জব্দ কৰাৰ লগতে দুজনক গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, কিছুদিন পূৰ্বে কামৰূপ গ্ৰাম্য আৰক্ষী থানাৰ গৌৰীপুৰৰ পৰা ৫৫২ কাৰ্টন IMPERIAL BLACK সুৰা ভৰ্তি ট্ৰাক এখন হাইজেক হৈছিল। হাইজেক হোৱা সুৰাভৰ্তি ট্ৰাকখনৰ কোনে শুংসূত্ৰ নথকাত অৱশেষত তদন্তক্ৰমে গৌৰীপুৰৰ আৰক্ষীয়ে ঘটনাত জড়িত এজন লোকক ডুবাচুৰিৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ইপিনে, গোপন খবৰৰ ভিত্তিত কাহিলী পুৱাতে গৌৰীপুৰৰ আৰক্ষী আৰু বৰভিঠা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিপ্লৱ চেতিয়াৰ যৌথ অভিযানত মুহিয়া গাঁৱৰ পৰা ছফিকুল ইছলামৰ ঘৰত অভিযান চলাই ২১ কাৰ্টন সুৰা জব্দ কৰাৰ লগতে ঘটনাত জড়িত ছফিকুল ইছলাম নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। আজি আবেলি পুনৰ বৰভিঠা আৰক্ষী চকীৰ আৰক্ষী বিষয়া বিপ্লৱ চেতিয়াই আন এক গোপন সূত্ৰে লাভ কৰা তথ্যৰ ভিত্তিত মুহিয়া মিলন বজাৰত দেলবাৰ আলীয়ে ভাড়া দিয়া দোকানৰ পৰা ৮০ কাৰ্টন IMPERIAL BLACK সুৰা জব্দ কৰিবলৈ সক্ষম হয়। এই ঘটনাক কেন্দ্ৰ কৰি বৃহত্তৰ মুহিয়া মিলন বজাৰত চাঞ্চল্যৰ সৃষ্টি হয়। আটাইকে কৰায়ত্ত কৰি কঠোৰ শাস্তিৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# বৰমাত এন এইচ এম কৰ্মীৰ কৰ্মবিৰতি

**ই-সংবাদ, বৰমা, ৪ মাৰ্চঃ** সমগ্ৰ ৰাজ্যৰ লগতে বাক্সাৰ বৰমাত নিজৰ প্ৰাপ্য বিচাৰি স্বাস্থ্য কৰ্মীয়ে কৰ্মবিৰতি কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাৰ বৰমা ব্লকৰ অধীনস্থ শতাধিক স্বাস্থ্য কৰ্মীয়ে বৰমা সামূহিক স্বাস্থ্য কেন্দ্ৰত পুৱা ১০ বজাৰ পৰা ৰূপায়ণ কৰে কৰ্মবিৰতি। সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাৰ উদ্যোগত ৩ দিনীয়াকৈ অব্যাহত প্ৰতিবাদী কাৰ্যসূচীৰ বাবে অচল হৈ পৰিছে স্বাস্থ্য সেৱা। সপ্তম আযোগৰ জৰিয়তে মজুৰি প্ৰদানৰ দাবী কৰ্মীসকলৰ। স্বাস্থ্য কৰ্মীসকলৰ দাবী পূৰণ নোহোৱা পৰ্যন্ত প্ৰতিবাদ অব্যাহত থাকিব। স্বাস্থ্য সেৱা ব্যাহত হৈ থকাত চৰকাৰ জগৰীয়া হ'ব বুলি প্ৰতিবাদকাৰী স্বাস্থ্যকৰ্মীসকলে চৰকাৰক সকীয়াই দিয়ে।

# বালাজানত অবৈধ মাটি কঢ়িওৱা ডাম্পাৰ জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ৪ মাৰ্চঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষী চকীৰ আৰক্ষীয়ে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি অভিযান চলাই অবৈধভাৱে মাটি কঢ়িওৱা দুখন ডাম্পাৰ জব্দ কৰে। ডাম্পাৰ দুখনৰ নম্বৰ AS-14 AC-2545 আৰু ML-07 C-0586। জানিব পৰা মতে, অঞ্চলটোৰ স্থানীয় এজন লোক গোলাপ আলীৰ নেতৃত্বত বিটিএডিৰ পৰ্বতঝৰা বন বিভাগৰ ছত্ৰ-ছায়াত দুখী-সুখীত চলিছে অবৈধ পাহাৰ খনন। পাহাৰৰ মাটি জেচিবিৰে খনন কৰি ডাম্পাৰেৰে যোগান ধৰিছে গৌৰীপুৰৰ বিভিন্ন ইটাভাটাসমূহত। বন বিভাগৰ ৰয়েল্টী ফাঁকিৰ লগতে অভাৰলোড কৰা মাটি দিনত ৰাষ্ট্ৰীয় ঘাইপথেৰে কঢ়িয়াই আছে যদিও ৰহস্যজনকভাবে নীৰৱ দৰ্শক হৈ বহি আছে পৰ্বতঝৰা বন বিভাগ আৰু ধুবুৰী পৰিবহণ বিভাগ। আজি বিয়লি বালাজান থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই ডাম্পাৰ দুখন জব্দ কৰি বন বিভাগক গতাই দিয়ে যদিও এই প্ৰক্ৰিয়া চলি থাকিব নে আজিয়ে সামৰণি পৰিব সেয়া লক্ষণীয় বিষয় হৈ পৰিছে।

# চৰাইদেউ জিলাত বিশ্ব শ্ৰৱণ দিৱস পালন

**ই-সংবাদ, সোণাৰি, ৪ মাৰ্চঃ** চৰাইদেউ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত সোমবাৰে জিলাখনৰ ৫৫৭নং ৰাঙলী নিম্ন প্ৰাথমিক বিদ্যালয়ত 'বিশ্ব শ্ৰৱণ দিৱস' পালন কৰা হয়। এইবাৰৰ বিশ্ব শ্ৰৱণ দিৱসৰ মূল বিষয়বস্তু হ'ল 'নৱ-চিন্তাধাৰাক জাগ্ৰত কৰকঃ প্ৰতিগৰাকী ব্যক্তিয়ে কাণৰ যতন আৰু শ্ৰৱণ শক্তি অটুট ৰখাৰ প্ৰতি গুৰুত্ব প্ৰদানৰ সংকল্প লওঁ আহক'। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থকা চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ জ্যোতিৰ্ময় শৰ্মা বৰুৱাই উপস্থিত শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকক উদ্দেশি বক্তব্য ৰাখে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেখা দিয়া শ্ৰৱণৰ সমস্যা আৰু এই সন্দৰ্ভত কেতবোৰ বদঅভ্যাস যেনে কাণ খজুৱাবৰ বাবে কাঠ, বাঁহৰ মাৰি ব্যৱহাৰ কৰা, চিকিৎসকৰ পৰামৰ্শ পলমকৈ লোৱা ইত্যাদি সম্পৰ্কে আলোকপাত কৰে। শ্ৰেণীকোঠাত শিশুটিক অমনোযোগী যেন দেখিলে চিকিৎসকৰ পৰামৰ্শ লোৱা অথবা জিলাখনৰ ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ দলৰ সৈতে যোগাযোগ কৰি পৰীক্ষা কৰাবলৈ তেওঁ আহ্বান জনায়। আনহাতে, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ চৰাইদেউ জিলা আঁচনি পৰিচালক অভিজিৎ শৰ্মাই নৱজাতক, বৃদ্ধসকল, শিশু আৰু প্ৰাপ্তবয়স্কসকলৰ ক্ষেত্ৰত শ্ৰৱণশক্তি হেৰুৱাৰ কাৰণসমূহ ব্যাখা কৰে আৰু ৰাইজক এই ক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনায়। ইয়াৰ পাছতেই উপস্থিত ৰাইজৰ মাজত এই সম্পৰ্কে প্ৰচাৰ পত্ৰিকা বিতৰণ কৰা হয়। আজিৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ প্ৰকল্প পৰিচালনা গোটৰ জিলা গণমাধ্যম বিশেষজ্ঞ দীপজ্যোতি দত্ত, জিলা কমিউনিটি মবিলাইজাৰ ৰফিক আহমেদ, ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ চৰাইদেউ জিলা সমন্বয়ক মেঘালী ফুকন, শিক্ষাগুৰুসকল, নাৰ্চ, আশা, অংগনবাদী কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# সৰুপেটাত শোকাৱহ ঘটনা, বিদ্যুৎস্পৃষ্ট হৈ এজনৰ মৃত্যু

**ই-সংবাদ, ভৱানীপুৰ, ৪ মাৰ্চঃ সৰুপেটাত** বিদ্যুৎস্পৃষ্ট হৈ আজি এজন লোকৰ শোকাৱহ মৃত্যু ঘটে। মৃত্যু হোৱা লোকজনৰ নাম মনছেৰ আলী(৪৫) আৰু তেওঁ সৰুপেটাৰ সমীপৰ সানিকুৰা গাঁৱৰ বাসিন্দা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, মনছেৰ আলী নামৰ ব্যক্তিগৰাকীয়ে আজি বিয়লি প্ৰায় ডেৰ বজাত অজাসন্তৰ গাঁৱৰ শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ এটা পৰিয়ালৰ পিছফালে থকা মাছৰ পুখুৰী এটা পানী উত্তোলক মেচিনৰ সহায়ত সিঁচিবলৈ আৰম্ভ কৰোঁতেই অসাৱধানবশতঃ বিদ্যুৎ প্ৰবাহী তাঁৰৰ সৈতে সংযোজিত হোৱাৰ ফলত সমগ্ৰ দেহত বিদ্যুৎ প্ৰবাহিত হোৱাৰ ফলত লোকজনে কৰুণ মৃত্যুক সাবটিবলগীয়া হয়। আনহাতে, সেই সময়ত মৃত ব্যক্তিগৰাকীৰ ওচৰে-পাজৰে কোনো ব্যক্তি নাছিল বুলি জানিব পৰা গৈছে। পিছত মৰণোত্তৰ পৰীক্ষাৰ বাবে তেওঁৰ মৃতদেহ বৰপেটা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

# ভৱানীপুৰত বিয়াৰ শুভ ক্ষণত গীতৰ পোষ্টাৰ মুকলি

**ই-সংবাদ, ভৱানীপুৰ, ৪ মাৰ্চঃ** ভৱানীপুৰত যোৱা নিশা সম্পন্ন হোৱা এখন বিবাহত দৰাই তেওঁৰ নিজৰ গীতৰ পোষ্টাৰ মুকলি কৰে। উল্লেখ্য যে, যোৱা নিশা ভৱানীপুৰৰ উদীয়মান কণ্ঠশিল্পী অলকেশ অৰ্ণৱৰ বিবাহ সম্পন্ন হয়। তেওঁৰ বিবাহৰ শুভ ক্ষণত ৰভাতলীতে নিশা একাংশ শুভাকাংক্ষীক লগত লৈ মুকলি কৰে তেওঁৰ আহিবলগীয়া 'স্নেহয়ামি' শীৰ্ষক নতুন গীতটিৰ পোষ্টাৰ। দীপজ্যোতি বৈশ্যই আঁত ধৰা পোষ্টাৰ মুকলি অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দীপক ঠাকুৰীয়া, সাংস্কৃতিক কৰ্মী ভাস্কৰ দাস, ৰাজীৱ ঠাকুৰীয়া, অসীম মেধি , লেখক-গীতিকাৰ সঞ্জীৱ সাগৰ দাস, যুৱ নেতা কিশোৰ কুমাৰ ডেকাকে



ধৰি কেইবাগৰাকী লোক উপস্থিত থাকে। 'স্নেহয়ামি' শীৰ্ষক ৰোমান্টিক গীতটিৰ কথা আৰু সুৰ ৰণি মেধিৰ আৰু সংগীত ৰাজা বৈশ্যৰ।

## ৰঙিয়াৰ উদিয়ানাৰ চকত ভয়ংকৰ পথ দুৰ্ঘটনা, নিহত ১

**ই-সংবাদ, ৰঙিয়া, ৪ মাৰ্চঃ** ৰঙিয়াৰ উদিয়ানা চ'কত আজি সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ লগতে আন এজন লোক গুৰুতৰভাৱে আহত হয়। নিহত লোকজন উদিয়ানা গাঁৱৰ চিদ্দিকুল হুছেইন শইকীয়া (৬৪)। আনহাতে, গুৰুতৰভাৱে আহত হোৱা লোকজন একেখন গাঁৱৰে হাচাৰ আলী (৩২) বুলি জানিব পৰা গৈছে। ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত নলবাৰীৰ পৰা গুৱাহাটী অভিমুখে আহি থকা AS-01 FJ-2866 নম্বৰৰ মহিন্দ্ৰা XUV বাহনে মহটিয়াই নিয়ে দুয়োজন পথচাৰীক। তীব্ৰবেগী বাহনখনে দুগৰাকী লোকক খুন্দিয়াই পলায়ন কৰে যদিও চাংসাৰি আৰক্ষীয়ে বাহনখন জব্দ কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে দুৰ্ঘটনাপ্ৰৱণ এলেকা হিচাপে বিবেচিত ৰঙিয়াৰ উদিয়ানা চ'কত সংঘটিত দুৰ্ঘটনা ৰোধৰ বাবে পদক্ষেপ গ্ৰহণৰ আহ্বান জনাইছে স্থানীয় ৰাইজে।

## যোৰহাটৰ বাঘমৰাত নিৰুদ্দিষ্ট মহিলাৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, পশ্চিম যোৰহাট, ৪ মাৰ্চঃ** যোৰহাট পুলিবৰ থানা এলেকাৰ উত্তৰ-পশ্চিম যোৰহাটৰ বাঘমৰাৰ ব্ৰহ্মপুত্ৰ নদীৰ পানী যুৰলিত কালি উদ্ধাৰ হোৱা নিৰুদ্দিষ্ট প্ৰমিলা দাস(৪০) নামৰ মহিলাগৰাকীৰ মৃতদেহটো আজি এছ ডি আৰ এফৰ সহযোগত পুলিবৰ আৰক্ষীয়ে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মহিলাগৰাকীৰ মৃতদেহটো কালি সন্ধিয়া ব্ৰহ্মপুত্ৰ নদীত দেখা পাইছিল যদিও আন্ধাৰে আৱৰি ধৰাত প্ৰত্যক্ষ কৰা স্থানতে বান্ধি ৰখা হয়। উল্লেখ্য যে ব্ৰহ্মপুত্ৰৰ কাষৰীয়া ৮ নং স্পাৰৰ কলাই দাসৰ পত্নী প্ৰমিলা দাসে যোৱা ২৫ ফেব্ৰুৱাৰীৰ দিনা সন্ধিয়া ব্ৰহ্মপুত্ৰ নদীখনৰ পৰা পানী আনিবলৈ যোৱাৰে পৰাই সন্ধানহীন হৈ আছিল। সেই সময়ত এছ ডি আৰ এফৰ উদ্ধাৰকাৰী দলে অভিযান চলাইছিল যদিও মহিলাগৰাকীৰ সন্ধেদ লাভ কৰা নাছিল।




সোণাৰিত এনএইচএম কৰ্মচাৰীৰ কৰ্মবিৰতি
ফটোঃ ই-সংবাদ, সোণাৰি

# মৰিগাঁৱত এনএইচএম কৰ্মীৰ তিনিদিনীয়াকৈ কৰ্মবিৰতি

**ই-সংবাদ, মৰিগাঁও-মৈৰাবাৰী, ৪ মাৰ্চঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণ, সপ্তম দৰমহা আয়োগৰ মতে দৰমহা প্ৰদান আৰু সম-কামৰ সম-অধিকাৰ প্ৰদান, এই তিনিটা মূল দাবীৰে ৰাজ্যৰ ভিন্নপ্ৰান্তৰ লগতে মৰিগাঁৱতো আজিৰেপৰা তিনিদিনীয়া কাৰ্য্যসূচীৰে ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ কৰ্মচাৰীসকলে কৰ্মবিৰতি কাৰ্য্যসূচী পালন কৰিছে। মৰিগাঁও অসামৰিক চিকিৎসালয় প্ৰাংগণত হাতে হাতে প্লে'-কাৰ্ড, ফেষ্টুন আদি লৈ এই কৰ্মবিৰতি পালন কৰিছে কৰ্মচাৰীসকলে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা তিনিদিনলৈ জৰুৰীকালীন সেৱাৰ বাহিৰে জিলাখনত বন্ধ হৈ পৰিছে সকলো চিকিৎসা সেৱা। এই প্ৰতিবাদী কাৰ্যসূচীৰ সময়ছোৱাত জিলাখনৰ জাগীৰোড, ঝাৰগাঁও, জাগী-ভকতগাঁও, ভূৰবন্ধা, চৰাইবাহী, মেৰুৱাগাঁও, বাৰপূজীয়া, ভুৰাগাঁও, লাহৰীঘাট, মৈৰাবাৰী অদি ৰাজ্যিক চিকিৎসালয় আৰু ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰসমূহত চিকিৎসা সেৱা বন্ধ হৈ পৰে। ইয়াৰ ফলত সংশ্লিষ্ট অঞ্চলসমূহত ৰোগীসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। ২৫ হাজাৰ কৰ্মচাৰীয়েই ভিন্ন চিকিৎসা পদ্ধতিৰ চিকিৎসক বিষয়া, দন্ত চিকিৎসক, চি এইচ অ', ফাৰ্মাছিষ্ট, জি এন এম, ষ্টাফ নাৰ্ছ, লেবৰেটৰী টেকনিচিয়ান, ফিজিঅ'থেৰাপিষ্ট, ৰেডিঅ'গ্ৰাফাৰ, এ এন এম আদি বিভিন্ন পদত নিয়োজিত হৈ ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়ৰ পৰা আৰম্ভ কৰি জিলা চিকিৎসালয়ৰ লগতে আদৰ্শ চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আদিত অতি ন্যূনতম দৰমহাত স্বাস্থ্য সেৱা আগবঢ়াই আহিছে। চিকিৎসা সেৱাত নিয়োজিত স্থায়ী কৰ্মচাৰীৰ সমানে কাম কৰি আহিছে যদিও স্থায়ী কৰ্মচাৰীৰ




তুলনাত এনএইছএম স্বাস্থ্য কৰ্মচাৰীসকলে অতি সামান্য দৰমহা লাভ কৰাত চৰকাৰক শীঘ্ৰে চাকৰি নিয়মীয়াকৰণৰ দাবীৰে এই কৰ্মবিৰতিৰ কাৰ্যসূচী ৰূপায়ণ কৰে। দীৰ্ঘদিনীয়া বঞ্চনাৰ প্ৰতিবাদত এন এইচ এম কৰ্মীসকলে কৰ্মবিৰতি কাৰ্যসূচী পালন কৰে। আজিৰ পৰা তিনিদিন ধৰি অচল হৈ পৰিব ৰাজ্যৰ চিকিৎসালয়সমূহ। ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অধীনৰ প্ৰায় ২৫ হাজাৰৰো অধিক চিকিৎসক তথা স্বাস্থ্য কৰ্মীয়ে পালন কৰিছে কৰ্মবিৰতি। সমান্তৰালভাৱে মৰিগাঁও জিলাতো এন এইচ এম স্বাস্থ্যকৰ্মীসকল বিৰত থাকিব কৰ্তব্যৰ পৰা। উল্লেখ্য যে এন এইচ এম কৰ্মচাৰীসকলে সম-কামৰ সম-দৰমহা, চাকৰি নিয়মীয়া কৰি পেঞ্চন প্ৰদান, দৰমহা বৃদ্ধিৰ উপৰিও মৃত সতীৰ্থ কৰ্মচাৰীৰ পৰিয়ালক কমেও ২৫ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা, অনাদায় ভ্ৰমণ বানচ আৰু দৈনিক ভাত্তা মোকলাই দিয়া, আন কৰ্মচাৰীৰ দৰে চৰকাৰী সা-সুবিধা প্ৰদান কৰা, কৰ্মচাৰীসকলৰ বাবে বিনামূলীয়া চিকিৎসা আঁচনি প্ৰৱৰ্তন কৰা, ৰাজ্য চৰকাৰৰ অন্যান্য কৰ্মচাৰীৰ সমহাৰত দৈনিক ভাট্টা প্ৰদান কৰা আদি দাবীৰ সমৰ্থনত বঞ্চিত কৰ্মীসকলে শ্লোগান দি চিকিৎসালয়সমূহৰ চৌহদ উত্তাল কৰি তোলে। এই কাৰ্যসূচীত ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ উপৰিও ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণ আঁচনি, মেলেৰিয়াৰ লগতে আমব্ৰেলা আঁচনিৰ কৰ্মচাৰীসকলেও অংশগ্ৰহণ কৰে।

# তামুলপুৰত বানপানীৰ প্ৰস্তুতি সম্পৰ্কীয় সভা

**ই-সংবাদ, তামুলপুৰ, ৪ মাৰ্চঃ** তামুলপুৰ জিলাৰ জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত আজি আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বান প্ৰস্তুতি সম্পৰ্কীয় এখন সভা অনুষ্ঠিত হয়। অহা বাৰিষাৰ সময়ছোৱাত তামুলপুৰ জিলাত কোনো ধন-জনৰ ক্ষতি হোৱাৰ উপৰি সৰ্বসাধাৰণৰ যাতে কোনোধৰণৰ অসুবিধা নহয়, তাৰপ্ৰতি সজাগ হৈ থাকিবলৈ সংশ্লিষ্ট বিভাগসমূহক জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়। তেখেতে কয় যে সমাগত সময়ছোৱা যিহেতু নিৰ্বাচনৰো বতৰ, গতিকে এইবাৰ বিভিন্ন কাৰণত বানৰ সময়ছোৱা কিছু জটিল হ'ব পাৰে। সাহায্য শিবিৰ বাছনিৰ ক্ষেত্ৰত তেওঁ শিক্ষানুষ্ঠানসমূহক পাৰ্যমানে ৰেহাই দিয়াৰ পোষকতা কৰে। লগতে তেওঁ এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰে যে প্ৰশাসনৰ অনুমতি অবিহনে কোনেও বানৰ পাছত বন্যাক্ৰান্তৰ মাজত সাহায্য বিতৰণ কৰি নোৱাৰিব। এনে সিদ্ধান্তই সম্ভাব্য খাদ্যৰ বিষক্ৰিয়াৰ পৰা ৰাইজক ৰক্ষা কৰিব। উল্লেখ্য যে বিগত বছৰটোত তামুলপুৰ বিধানসভা সমষ্টিৰ ৪২ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিৰ ৭৪ খন গাঁৱকে ধৰি জিলাখনৰ মুঠ ১১৬ খন গাঁও বানত আক্ৰান্ত হৈছিল। আজিৰ সভাখনত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ উপৰি অতিৰিক্ত আয়ুক্ত, বিভিন্ন বিভাগৰ মুৰব্বী, আৰক্ষী, পেৰা-মিলিটেৰী ফ'ৰ্চ, এছ ডি আৰ এফ আদিয়ে অংশগ্ৰহণ কৰে।

# নগাঁৱত পৱিত্ৰ ৰমজানৰ বাবে ফলৰ বজাৰত জ্বলিছে মূল্যবৃদ্ধিৰ জুই

**ই-সংবাদ, বেবেজীয়া, ৪ মাৰ্চঃ** ৰোজাত মুছলমান ধৰ্মাৱলম্বী লোকসকলে দিনৰ দিনটো সম্পূৰ্ণ লঘোণে থাকিলেও চেহেৰী আৰু ইফতাৰৰ নামত যথেষ্ট ধন ব্যয় কৰে। কাৰণ, এই দুসাঁজ আহাৰ তেওঁলোকে সু-স্বাদুভাৱে গ্ৰহণ কৰে ৰোজাৰ দিনকেইটাত। আন দিনবোৰতকৈ ৰমজান মাহৰ এই দিনকেইটাত আহাৰৰ নামত পূৰ্বৰ তুলনাত সাঁজেপ্ৰতি দুই-তিনি গুণ বেছি খৰচ হয়। দিনটোৰ কঠোৰতম ৰীতি-নীতিৰে পালিত ৰোজাৰ অন্তত প্ৰতিদিনে সন্ধিয়া পৰত বিভিন্ন প্ৰকাৰৰ ফল-মূল তথা সোৱাদ ভৰা খাদ্যৰে পৰিপূৰ্ণ ইফতাৰৰ সু-সজ্জিত থালীখন সন্মুখত লৈ বহিলেই পৰম আত্মসন্তুষ্টি লাভ কৰে প্ৰতিজন ৰোজাদাৰে। কিন্তু এইবেলি দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকৰ থালীৰ পৰা হেৰাই গৈছে ফল। অসম্পূৰ্ণ হৈ ৰৈছে এইসকল দুৰ্ভগীয়া ৰোজাদাৰৰ বহু হেঁপাহৰ ইফতাৰৰ থালীখন। কিয়নো, বৰ্তমান ফলৰ বজাৰৰ উৰ্ধ্বমুখী জুই-চাই দাম। নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত ৰমজান মাহ আৰম্ভ হোৱাৰেপৰা ফলৰ দাম পূৰ্বৰ তুলনাত দুই-তিনিগুণ পৰ্যন্ত বৃদ্ধি পোৱাত মূৰে-কপালে হাত দিবলৈ বাধ্য হৈছে সাধাৰণ শ্ৰেণীৰ গ্ৰাহক। কাৰণ ৰমজানৰ ৰোজাৰ বতৰত মুছলমান লোকসকলে কম-বেছি পৰিমাণে হ'লেও ইফতাৰৰ বাবে বিভিন্ন তৰহৰ ফল-মূল ক্ৰয় কৰে। কিন্তু সম্প্ৰতি গ্ৰাহকসকলে ফল-মূল কিনিবলৈ গৈ ফলৰ বজাৰত দাম শুনি থমকি ৰ'বলগীয়াত পৰিছে। পৰিণতিত এনেদৰে ৰমজানৰ ৰোজাৰ গইনা লৈ ফল-মূলৰ দৰ এচাম ধুৰন্ধৰ ব্যৱসায়ীয়ে কৃত্ৰিম নাটনিৰে আকাশলংঘী কৰাত নগৰ্ঞা দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ ৰোজাদাৰে ইফতাৰ পালিবলৈ গৈ চকুয়ে ধোঁৱা-কোঁৱা দেখিছে। এক কথাত পৱিত্ৰ ৰমজানৰ ৰোজাৰ দিনকেইটাত ইফতাৰৰ আহাৰ পৰম হেঁপাহেৰে খাবলৈ গৈ দৰিদ্ৰ নগৰ্ঞা লোকসকলে পিছহুঁহকি আহিবলৈ বাধ্য হৈছে একমাত্ৰ ফল-মূলৰ অভাৱনীয় মূল্যবৃদ্ধিৰ কাৰণে। সেয়ে অসাধু ব্যৱসায়ীৰ এনে দামবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে জিলা প্ৰশাসনক কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ দাবী জনাইছে ভুক্তভোগী লোকসকলে।




সোণাৰিত এন এইচ এম কৰ্মচাৰীৰ কৰ্ম বিৰতি কাৰ্যসূচীৰ কিয়দংশ, ফটোঃ ই-সংবাদ, সোণাৰি

# চৰাইদেউত চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষৰ জিলা প্ৰশাসনৰে পৰ্যালোচনা বৈঠক

**ই-সংবাদ, সোণাৰি, ৪ মাৰ্চঃ** দুদিনীয়া চৰাইদেউ জিলা ভ্ৰমণসূচীৰ দ্বিতীয় দিনা আজি সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰণালয়ৰ অন্তৰ্গত অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাছফৰে জিলা প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত চাফাই কৰ্মচাৰীসকলৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত মিলিত হয়। চৰাইদেউ জিলাৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱ আৰু আৰক্ষী অধীক্ষক সুৰজীৎ সিং পানেছৰৰ উপস্থিতিত আয়োজিত এই পৰ্যালোচনা বৈঠকত আয়োগৰ অধ্যক্ষগৰাকীয়ে কয় যে চাফাই কৰ্মচাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে তেওঁলোকৰ ওজৰ-আপত্তিসমূহৰ নিষ্পত্তি কৰাৰ লক্ষ্যৰে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ উদ্যোগত অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আইন, ২০২৩ৰ অধীনত ২০২৪ চনৰ মাৰ্চ মাহত অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগ গঠন কৰা হয়। বৈঠকত অধ্যক্ষগৰাকীয়ে পৌৰসভা আৰু বিভিন্ন চৰকাৰী বিভাগৰ অন্তৰ্গত কৰ্মৰত চাফাই কৰ্মচাৰীসকলৰ সুবিধা-অসুবিধাৰ বিষয়ে বিস্তৃতভাৱে বুজ লৈ চাফাই কৰ্মচাৰীসকলৰ সুবিধাৰ্থে বিভিন্ন গঠনমূলক পৰামৰ্শ আগবঢ়ায়। তেওঁ মূলতঃ চাফাই কৰ্মচাৰীসকলৰ প্ৰাপ্য বিভিন্ন সুবিধা যেনে- ন্যূনতম নিৰ্ধাৰিত মজুৰি (প্ৰতিমাহে ১০,১৩৮ টকাকৈ) প্ৰদান কৰাটো সুনিশ্চিত কৰা, বেংক একাউণ্ট যোগেদি মজুৰি প্ৰদান, কৰ্মচাৰীৰ ৰাজ্যিক বীমা আঁচনিত অন্তৰ্ভুক্তিকৰণ, গ্ৰুপ বীমা আঁচনিত অন্তৰ্ভুক্তিকৰণ, ব্যক্তিগত সুৰক্ষা সামগ্ৰী প্ৰদান, নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা, পৰিচয় পত্ৰ প্ৰদান নিশ্চিতকৰণ, কৰ্মস্থলীত মহিলা চাফাই কৰ্মচাৰীৰ যৌন নিৰ্যাতনৰ বিৰুদ্ধে অভিযোগ বিষয়ক আভ্যন্তৰীণ ওজৰ-আপত্তি নিষ্পত্তিকৰণ সমিতি গঠন, আৱাসিক এলেকাত প্ৰয়োজনীয় ন্যূনতম আন্তঃগাঁথনি তথা সা-সুবিধা প্ৰদান আদি বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ আয়োগৰ মাধ্যমেৰে চাফাই কৰ্মচাৰীসকলৰ লগতে তেওঁলোকৰ সন্তানে লাভ কৰিব পৰা বিভিন্ন আঁচনি আৰু শৈক্ষিক জলপানিৰ বিষয়ে অৱগত কৰি এইসমূহ সুবিধা লাভৰ বাবে তেওঁলোকক আয়োগৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনায়। চাহ-বাগিচা এলেকা আৰু পৌৰসভাৰ অন্তৰ্গত কৰ্মৰত চাফাই কৰ্মচাৰীসকলে তেওঁলোকৰ সুবিধা-অসুবিধাৰ বিষয়ে বৈঠকত অধ্যক্ষ গৰাকীক বিতংভাৱে অৱগত কৰে। আজিৰ বৈঠকত জিলা আয়ুক্ত ডাঃ নেহা যাদৱে আদৰণি ভাষণ প্ৰদান কৰে। জিলা আয়ুক্তগৰাকীয়ে নিজৰ বক্তব্যত তেওঁ জিলাখনত আয়োগৰ নিৰ্দেশাৱলীৰ কাৰ্যব্দপায়ণৰ ক্ষেত্ৰত প্ৰশাসনৰ তৰফৰ পৰা গ্ৰহণ কৰিবলগীয়া যাৱতীয় পদক্ষেপ গ্ৰহণৰ আশ্বাস প্ৰদান কৰে।

# হালাকুৰাত এনএইচএম কৰ্মীৰ কৰ্মবিৰতি

**ই-সংবাদ, গোলকগঞ্জ, ৪ মাৰ্চঃ** অসম চৰকাৰৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনৰ সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাই আজিৰেপৰা আহ্বান জনোৱা তিনিদিনীয়া কৰ্মবিৰতি হালাকুৰাত সমূহীয়া স্বাস্থ্য কেন্দ্ৰতো পালন কৰা হয়। ২০০৬ চনৰপৰাই একাংশই ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত নাৰ্চ-চিকিৎসক পদত কৰ্মৰত হৈ আছে। কিন্তু আজিলৈ চাকৰি নিয়মীয়াকৰণ নহ'ল। একে কাম কৰি নিয়মীয়া কৰ্মচাৰীসকলে তিনিগুণ অধিক দৰমহা লাভ কৰা বুলি প্ৰতিবাদকাৰীসকলে ক্ষোভ প্ৰকাশ কৰে। এই সন্দৰ্ভত চচলত প্ৰতিবাদী কাৰ্যসূচী পালন কৰাৰ পিছত মুখ্যমন্ত্ৰীয়ে সপ্তম আয়োগৰ নিৰিখত দৰমহা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও কাৰ্যত সকলো অসাৰ হৈ পৰে। সেয়ে আজিৰেপৰা পুনৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰে। তৎসত্বেও অসম চৰকাৰে গুৰুত্ব নিদিলে ৰাজপথত আন্দোলন কৰাৰ সকীয়নী দিয়ে। হালাকুৰা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত কৰ্মৰত সমূহ চিকিৎসক-নাৰ্চে হালাকুৰা সমূহীয়া স্বাস্থ্যকেন্দ্ৰৰ চৌহদত প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীয়ে হাতে হাতে প্লে' কাৰ্ড লৈ আমাৰ চাকৰি নিয়মীয়া কৰক, স্বাস্থ্য বিভাগৰ খালি পদত নিযুক্তি দিয়ক, ঠিকাভিত্তিক কৰ্মচাৰীক সুৰক্ষিত দৰমহাসহ নিযুক্তি দিয়ক, স্কেল পে'ত দৰমহা দিয়ক, মুখ্যমন্ত্ৰীৰ লোক সেৱক আৰোগ্য যোজনাৰ ব্যৱস্থা কৰক, আপোন ঘৰ আপোন বাহন আঁচনি উপলব্ধ কৰাওঁক আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰে।

# নিয়তিৰ ওচৰত হাৰ মানিলে চেলেংহাটৰ সমুজ্জ্বলে

**ই-সংবাদ, মৰিয়নি,৪ মাৰ্চঃ** যোৰহাট জিলাৰ চেলেংহাট মাজুনগএগ্ৰা গাঁৱৰ সাংস্কৃতিক ক্ষেত্ৰৰ উদীয়মান যুৱক সমুজ্জ্বল গগৈয়ে অৱশেষত হাৰ মানিলে জীৱন যুঁজত। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে এক জটিল ৰোগত আক্ৰান্ত হোৱাত গুৱাহাটীস্থিত দিছপুৰ পলিক্লিনিকত ভৰ্তি কৰোৱা হৈছিল সমুজ্জ্বল গগৈক। কিন্তু উক্ত ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত চিকিৎসাৰ ব্যয় অধিক হোৱাত যোৱা ২ মাৰ্চত পৰিয়ালৰ লোকে চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজলৈ স্থানান্তৰ কৰে যদিও কালি বিয়লি প্ৰায় ৫ বজাত শেষ নিশ্বাস ত্যাগ কৰে ২৭ বৰ্ষীয়া প্ৰতিভাৱান যুৱক সমুজ্জ্বল গগৈয়ে। গগৈৰ চিকিৎসাৰ সহায়ৰ বাবে অঞ্চলটোৰ বিভিন্ন স্থানৰপৰা সাহায্য আগবঢ়োৱা হৈছিল যদিও নিয়তিৰ ওচৰত হাৰ মানিলে যুৱকজনে। মৃত্যুৰ সময়ত গগৈয়ে পিতৃ-মাতৃ, ককাক, এজন কনিষ্ঠ ভাতৃৰ



লগতে এক অনেক আত্মীয়-স্বজনক এৰি যায়। গগৈৰ মৃত্যুত সমগ্ৰ চেলেংহাট অঞ্চলত এক শোকাকুল পৰিৱেশে বিৰাজ কৰিছে।

# খৈৰাবাৰীত এনএইচএম কৰ্মীৰ ধৰ্ণা

**ই-সংবাদ, ডিমাকুছি, ৪ মাৰ্চঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি খৈৰাবাৰীতো ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলে পালন কৰে তিনিদিনীয়া অৱস্থান ধৰ্মঘট আৰু কৰ্মবিৰতি কাৰ্যসূচী। সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সংস্থা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমে কেতবোৰ দাবী পূৰণৰ সমৰ্থনত ৰাজ্যজুৰি গ্ৰহণ কৰিছে এই কাৰ্যসূচী। পে' স্কেল প্ৰদান কৰা, এন এইচ এম কৰ্মচাৰীৰ চাকৰি নিয়মীয়া কৰা, সপ্তম দৰমহা আয়োগ অনুসৰি দৰমহা দিয়া, এন এইচ এম কৰ্মচাৰীক বিভাগৰ স্থায়ী পদত নিযুক্তি দিয়া, সম-কামৰ বাবে সম-দৰমহা দিয়াকে ধৰি কেইবাটাও দাবী পূৰণৰ সমৰ্থনত খৈৰাবাৰী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ চৌহদত এই কৰ্মবিৰতি কাৰ্যসূচী পালন কৰে এন এইচ এম কৰ্মচাৰীসকলে। উক্ত দাবীৰ সমৰ্থনত শ্লোগান দি উত্তাল কৰি তোলে খৈৰাবাৰী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ চৌহদ। উক্ত কাৰ্যসূচীত সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সংস্থাৰ জিলা সমিতিৰ সভাপতি ডাঃ বিজু কুমাৰ শৰ্মা, ব্লক কমিটীৰ সভাপতি ডাঃ হৃদয় কুমাৰ কাকতিকে ধৰি ভালেকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

# শ্ৰীশ্ৰী এলেঙি নৰসিংহ সত্ৰৰ প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, মাজুলী, ৪ মাৰ্চঃ** মাজুলীৰ শ্ৰীশ্ৰী এলেঙি নৰসিংহ সত্ৰ আৰু অভয়পুৰীয়া সৌজন্যত চাৰিদিনিয়াকৈ অনুষ্ঠিত হোৱা ২৮০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আজি তৃতীয় দিনা এখন মুকলি সভা অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱসৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি পুৱা ৫ বজাত উষা-কীৰ্তন, পুৱা ৭ বজাত সামূহিক চাফাইৰ পিছত পুৱা ৮.৩০ বজাত সত্ৰৰ ২৮০ বছৰীয়া প্ৰতিষ্ঠা দিৱসত ২৮০ তাকৈ গছ পুলি ৰোপণ কৰে অঞ্চলটোৰ গণ্যমান্য ব্যক্তিসকলে। পুৱা ৯ বজাত বন্তি প্ৰজ্বলন কৰে শিলিখাগুৰি গাঁৱৰ মাধৰাম শইকীয়া আৰু অভয়পুৰীয়া গাঁৱৰ খগেন্দ্ৰ শইকীয়াই। দুপৰীয়া ১২ বজাৰপৰা আৰম্ভ হোৱা মুকলি সভাৰ মঞ্চ মহাপুৰুষ শংকৰদেৱৰ বিৰচিত এটি বৰগীতেৰে উদ্বোধন কৰে শিল্পী বুলিমনি মহন্তই। শ্ৰীৰাম বনমালী দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখন উদ্বোধন কৰে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দুলাল চন্দ্ৰ মহন্তই। মহন্তই মুকলি সভাখন উদ্বোধন কৰি সত্ৰই কিদৰে সংস্কৃতি জীয়াই ৰাখিছে, অসমীয়া সমাজ জীৱনৰ লগত সত্ৰৰ ভূমিকা, সত্ৰীয়া সংস্কৃতি জীয়াই ৰখা ক্ষেত্ৰত সত্ৰৰ অৱিহণাৰ সম্পৰ্কত বক্তব্য প্ৰদান কৰে। নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰে তাৰানাথ মহন্তই। অনুষ্ঠানত এলেঙি নৰসিংহ সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰ কমল চন্দ্ৰ মহন্ত, সত্ৰৰ খাটনীয়াৰ ৰূপাই বৰা আৰু মুখাশিল্পী বিপুল মহন্তৰ লগতে গাঁৱৰ গৌৰৱ ক্ৰমে প্ৰশান্ত কুমাৰ মহন্ত, প্ৰশান্ত শইকীয়া, ডঃ প্ৰাঞ্জল মহন্ত, ডঃ প্ৰণামিকা মহন্ত, ডঃ ঋতুৰাজ মহম্ত, পৰাগজ্যোতি মহন্ত আৰু প্ৰাৰ্থপ্ৰতীম মহন্তক ফুলাম গামোচা, স্মাৰক আৰু সম্বৰ্ধনা-পত্ৰৰে সম্বৰ্ধনা জনায় উদযাপন সমিতিয়ে। আজি অনুষ্ঠিত হোৱা মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়াই অসম সত্ৰ মহাসভা মাজুলী জিলাৰ সভাপতি সত্যজিত মহন্ত, শ্ৰীৰাম বনমালী দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিনৰাম বৰা, পদ্মধৰ শইকীয়া, সহকাৰী অৱসৰী শিক্ষক জীতেন শইকীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতুপন শৰ্মা, সাউদকুচি সত্ৰৰ ডেকা সত্ৰীয়া, প্ৰণৱ প্ৰাণ মহন্ত, ফুলনি মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যোগেশ্বৰ বৰা, ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক নগেন বৰুৱা, ব্ৰজেন গোস্বামী, মনিকা মহন্ত গোস্বামী আৰু জয়ন্ত হাজৰিকাই। সভাত কেইবাগৰাকীয়ো শিল্পীয়ে বৰগীত পৰিৱেশন আৰু সত্ৰীয়া নৃত্য পৰিৱেশন কৰাৰ লগতে বোকাবিলৰ মিচিং মহিলাসকলৰ লগতে অভয়পুৰীয়া নৰসিংহ সত্ৰৰ মহিলাসকলে দিহানাম পৰিৱেশন কৰে। সত্ৰৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা মুকলি সভাখন আঁতধৰাৰ লগতে শেষত শলাগৰ শৰাই আগবঢ়াই নৱজ্যোতি মহন্তই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি শ্ৰীকৃষ্ণৰ মহাৰাস প্ৰদৰ্শন কৰিব স্থানীয় শিল্পীসকলে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি উদযাপন কৰা মুকলি ৰাসৰ মঞ্চ উদ্বোধন কৰে আনন্দ শইকীয়াই।

# মন্ত্ৰী অশোক সিংঘালক সত্ৰ মহাসভাৰ তীব্ৰ গৰিহণা

**ই-সংবাদ, বৰপেটাৰোড, ৪ মাৰ্চঃ** শ্ৰীমন্ত শংকৰদেৱৰ অনুপম আৰু বৰ্ণিল সৃষ্টি ভাওনাক অপমান কৰি ভাওনাৰ লগত ব্যস্ত থাকিলে সময় নষ্ট হ'ব বুলি ৰাজ্যখনৰ এগৰাকী জ্যেষ্ঠ সাংবাদিকৰ আগত মন্ত্ৰী অশোক সিংঘালে অতি আপত্তিজনক মন্তব্য প্ৰকাশ কৰা কাৰ্য্যক অসম সত্ৰ মহাসভাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অসম সত্ৰ মহাসভাৰ উত্তৰ-পশ্চিম মণ্ডলৰ সাংস্কৃতিক সম্পাদক যুগান্ত বায়নে জনোৱা মতে, মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা এনে মন্তব্যই গুৰুজনাই ভাওনাকে ধৰি বিভিন্ন সৃষ্টিৰাজিৰে বৃহত্তৰ অসমীয়া জাতিটোক বিশ্বৰ বুকুত প্ৰতিষ্ঠা হ'বলৈ বাট দেখুৱাই যোৱাৰ বাবে থৈ যোৱা বৰ্ণিল সৃষ্টি-সম্ভাৰ আৰু গুৰুজনাৰ আদৰ্শ আৰু মতবাদক ভেঁটি কৰি অসমখন পূব-পাকিস্তানৰ লগত চামিল হোৱা পথ বন্ধ হৈছিল, সেইজনা মহান গুৰুৰ প্ৰতিভাক এগৰাকী দায়িত্বশীল মন্ত্ৰীয়ে উপলুঙা আৰু অপমান কৰা কাৰ্য্যক সত্ৰ মহাসভাই তীব্ৰ গৰিহণা দিছে। বিবৃতিটোত সত্ৰ মহাসভাই যিসময়ত ভাৰত চৰকাৰে ভাওনাৰ লগত জড়িত শিল্পী আৰু কলা-কুশলীসকলক পদ্মশ্ৰী আৰু সংগীত নাটক অকাডেমী বঁটাৰে সন্মানিত কৰিছে, সেইসময়তে মন্ত্ৰীগৰাকীৰ এনে মন্তব্যই কেৱল গুৰুজনাক অপমান কৰাই নহয় সমগ্ৰ অসমীয়া জাতিৰ সংস্কৃতিৰ মূল সত্তাক আঘাত কৰিছে বুলি মতপ্ৰকাশ কৰি অসম সত্ৰ মহাসভাই মন্ত্ৰীগৰাকীক সত্ৰ সংস্কৃতিবিৰোধী এনে মন্তব্য শীঘ্ৰে প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছে।

### দুমাহ আগতে মৃত্যু হৈছিল পিতৃৰ, বিধায়ক জলেনৰ সাহায্য

# কেৰালাত অসমৰ যুৱকৰ মৃত্যু

**ই-সংবাদ, তামুলপুৰ, ৪ মাৰ্চঃ** পৰিয়াল পোহপাল দিয়াৰ তাগিদাত কেৰালালৈ কাম সন্ধানত গৈ কালি অকাল মৃত্যুক সাৱটি লৈছিল তামুলপুৰৰ বৰবেলবাৰী গাঁৱৰ দৰিদ্ৰ পৰিয়ালৰ ৰবীন ৰাজবংশী নামৰ এজন যুৱকে। মৃত যুৱকজনৰ বৰবেলবাৰী গৃহত আজি সন্ধিয়া তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী উপস্থিত হৈ পৰিয়োলটোৰ খা-খবৰ লোৱাৰ লগতে শোক-সন্তপ্ত পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰে। বিধায়ক দৈমাৰীয়ে মৃত যুৱকজনৰ দুৰ্ভগীয়া মাতৃ, ভগ্নী তথা আইতাক লগতে গাঁওবাসীৰ লগত কেৰালাৰপৰা বিমানযোগে মৃতদেহ স্ব-গৃহলৈ আনি অন্ত্যেষ্টিক্ৰিয়া সমাপনৰ বিষয়ে আলোচনা কৰাৰ লগতে কিছু আৰ্থিক সাহায্য আগবঢ়ায়। বিধায়ক দৈমাৰীয়ে মৃত যুৱকজনৰ আদ্যশ্ৰাদ্ধৰ বাবে পৰিয়ালটোক আৰ্থিকভাৱে সহায় আগবঢ়োৱাৰ লগতে দুৰ্ভগীয়া পৰিয়ালটোক ভৱিষ্যতেও সহায় কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখ্য যে কেৰালাৰ এখন ব্যক্তিগত হাঁহ-কুকুৰাৰ ফাৰ্মত কৰ্মৰত দৰিদ্ৰ পৰিয়ালৰ যুৱক ৰবিন ৰাজবংশীয়ে যোৱা ডিচেম্বৰ মাহত অসুস্থ পিতৃৰ চিকিৎসাৰ বাবে ঘৰলৈ আহিছিল যদিও পিতৃৰ মৃত্যু হয়। পিতৃৰ মৃত্যুত সামাজিক নিয়মমতে সকাম আদি পাতি ৰবিনে পিতৃৰ চিকিৎসা আৰু সকামত হোৱা ঋণ পৰিশোধ কৰাৰ লগতে পৰিয়াল পোহপাল দিয়াৰ তাগিদাত যোৱা ২১ ফেব্ৰুৱাৰীত পুনৰ কেৰালাৰ নিজৰ কৰ্মস্থলীলৈ ৰাওনা হয়। কিন্তু কালি পুৱাৰ ভাগত শোৱাপাটিতে ৰবীনক গুৰুতৰভাৱে অসুস্থ অৱস্থাত লগৰীয়াই উদ্ধাৰ কৰে। পিছত ৰবীনক চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। পিতৃৰ মৃত্যুৰ দুমাহ পিছতেই একমাত্ৰ পুত্ৰৰো আকস্মিক মৃত্যুত পৰিয়ালটোলৈ অমানিশা নামি আহিছে।

# ১৪ মাৰ্চত 'গমন-দ্য লাষ্ট জাৰ্নি'ৰ মুক্তি

**ই-সংবাদ, ৰঙিয়া, ৪ মাৰ্চঃ** অসমীয়া চলচ্চিত্ৰ জগতৰ বিশিষ্ট পৰিচালক চন্দ্ৰ মুদৈৰ পৰিচালনাৰে নিৰ্মিত ষষ্ঠদশসংখ্যক ছবি 'গমন-দ্য লাষ্ট জাৰ্নি'য়ে অহা ১৪ মাৰ্চত মুক্তি লাভ কৰিব। অসমৰ ৩১ টা ছবিগৃহৰ সমান্তৰালভাৱে ৰঙিয়াৰ ছবিগৃহতো মুক্তি দিয়া হ'ব বহুচৰ্চিত কথাছবিখন।ইতিমধ্যে ৰাজ্যৰ ভিন্নপ্ৰান্তৰ সমান্তৰালভাৱে ৰঙিয়াতো ছবিখনৰ প্ৰযোজক যতীন্দ্ৰ নাথ খনিকৰ আৰু বিপুল কলিতাৰ নেতৃত্বত শিল্পীসকলে অব্যাহত ৰাখিছে প্ৰচাৰ অভিযান। আজি মুক্তি সন্দৰ্ভত আনুষ্ঠানিক ঘোষণা কৰাৰ লক্ষ্যৰে ৰঙিয়াত এখন সংবাদমেল সম্বোধন কৰে প্ৰযোজক যতীন্দ্ৰ নাথ খনিকৰে। মোহময়ী অভিনেত্ৰী অমৃতা গগৈ, অভিনেতা যতীন্দ্ৰ নাথ খনিকৰ, দিব্যজ্যোতি দাস, ছাজু আহমেদ, অসীমকৃষ্ণ বৰুৱা, আৰতি কলিতা, শিশুশিল্পী সাক্ষাৎ ওম শৰ্মাই অভিনয় কৰা ছবিখনে ইতিমধ্যে লছ এঞ্জেলছত আয়োজিত ছেভেন এৱাৰ্ডছ ইন্টাৰচেনেল ফিল্ম ফেষ্টিৱেলত শ্ৰেষ্ঠ চিনেমাৰ বাচনিত অন্তৰ্ভুক্ত হৈছে। শেহতীয়াকৈ নৰম ইণ্ডিয়ান ৱ'ৰ্ল্ড ফিল্ম ফেষ্টিৱেলৰ বাবেও মনোনীত হৈছে ছবিখন। পৰিচালক চন্দ্ৰ মুদৈৰ কাহিনী চিত্ৰনাট্য-সংলাপৰে পৰিয়ালৰ সকলোৰে উপভোগ্যকৈ নিৰ্মিত ছবিখন উপভোগ কৰি প্ৰযোজক সমন্বিতে শিল্পী-কলা-কুশলীবৃন্দলৈ সঁহাৰি দিয়াৰ বাবে অনুৰোধ জনায়।

# কাৰ্বি আংলং, ডিমা হাছাওক স্বায়ত্তশাসিত ৰাজ্যৰ মৰ্যাদা প্ৰদানৰ দাবীৰে উত্তাল ডিফু চহৰ

**ই-সংবাদ, হামৰেণ, ৪ মাৰ্চঃ** কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাছাওক সামৰি এখন স্বায়ত্তশাসিত ৰাজ্যৰ দাবীত পুনৰ উত্তাল হৈ পৰিছে ডিফু। এ পি এইছ এল চি জেমছ হানছে গোট, এ এছ ডি চি, কে এন চি এ, কে এছ এ, কাৰা, উইমেন কে এছ একে ধৰি ৯ টা অগ্ৰণী সংগঠনে হাতে হাতে প্লে'-কাৰ্ড, বেনাৰ, ফেষ্টুন আদি লৈ ডিফু চহৰৰ ডাকঘৰৰ সন্মুখত উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। প্ৰতিবাদকাৰীসকলে ন' অট'নমাছ ষ্টেট, ন' ৰেষ্ট, আমাক স্বায়ত্তশাসিত ৰাজ্য লাগিবই, এ পি এইছ এল চি জিন্দাবাদ, এ এছ ডি চি জিন্দাবাদ আদি শ্ল'গানেৰে ডিফুৰ আকাশ-বতাহ কঁপাই তোলে। বিভিন্ন সংগঠনৰ সদস্যসকলে ধৰ্ণাস্থলিত উপস্থিত থাকি পাহাৰীয় জিলাৰ জনগণৰ বহুদিনীয়া দাবী ভাৰতীয় সংবিধানৰ



উল্লেখ থকা ২৪৪ (ক) ধাৰা চলিত সংসদ অধিৱেশনত যাতে তিনি পাহাৰীয়া ৰাইজৰ সৰ্বাংগীন উন্নয়নৰ স্বাৰ্থত কেন্দ্ৰ, ৰাজ্যিক চৰকাৰ আৰু দুয়োখন স্বায়ত্তশাসিত পৰিষদৰ চৰকাৰেৰে সহযোগৰ প্ৰয়োজন বুলি উল্লেখ কৰে বিভিন্ন নেতা-নেত্ৰী, সদস্যসকলে। সভাস্থলিত উপস্থিত প্ৰাক্তন চিই এম কাৰ্বি আংলং স্বায়ত্তশাসিত




পৰিষদৰ জতচন বে'য়ে কয় যে পাহাৰীয়া ৰাইজৰ বহুদিনীয়া দাবী কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব দিয়া প্ৰয়োজন বুলি উল্লেখ কৰে। তদুপৰি, এ পি এইচ এ চিৰ সভাপতি জেমছ হানছে কয় যে দুই স্বায়ত্বশাসিত পৰিষদৰ চৰকাৰে পাহাৰীয়া ৰাইজৰ দাবী গুৰুত্ব দিয়াবলৈ ৰাজ্যিক চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক হেঁচা দিব লাগিব।

# নৰোৱা কুজিসত্ৰত দৌলযাত্ৰাৰ আয়োজন

**ই-সংবাদ, বেৰেজীয়া, ৪ মাৰ্চঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তত অৱস্থিত শ্ৰীশ্ৰী নৰোৱা কুজিসত্ৰ এখনি প্ৰাচীন মহাপুৰুষীয়া সত্ৰ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰ আতাৰ ভাগিন দামোদৰ আতায়েই হ'ল এই সত্ৰৰ প্ৰতিষ্ঠাতা। আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ আমোলত ১৬৫০ চনৰ এক শুভক্ষণত তেৰাই এই মহান কাৰ্য সম্পাদন কৰিছিল। জয়ধ্বজ সিংহৰ সমসাময়িক বাৰপুজীয়াৰ মিকিৰ ৰজা চেতুৰাক আই কনকলতাৰ পৰামৰ্শমতে দামোদৰ আতাই শৰণ দি বৈষ্ণৱ ধৰ্মৰে দীক্ষিত কৰিছিল। গুৰুভক্তি আৰু আহোম স্বৰ্গদেউৰ নিৰ্দেশ পালন কৰি মিকিৰ ৰজা চেতুৰাই আতা প্ৰভুক সত্ৰ প্ৰতিষ্ঠা কৰিবৰ নিমিত্তে আঠ হাজাৰ বিঘা মাটি দান কৰিছিল। উক্ত মাটিতে দামোদৰ আতাই শ্ৰীশ্ৰী বিষ্ণুপুৰ সত্ৰ পাতে। কালক্ৰমত এই বিষ্ণুপুৰ সত্ৰই বৈষ্ণৱপুৰ নামে জনাজাত হয় যদিও অৱশেষত কুজিবিলৰ পাৰত হোৱা বাবেই কুজিসত্ৰ নাম লৈ ইতিহাসৰ পাতত জিলিকি থাকিবলৈ সক্ষম হৈছে। ঐতিহাসিক এই সত্ৰখনত প্ৰতি বছৰে উদযাপিত হৈ অহা উৎসৱসমূহৰ ভিতৰত দৌল উৎসৱ অন্যতম। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গুৰুজনাই ২১ বছৰ বয়সতে তেৰাৰ জন্মভূমি পবিত্ৰ বটদ্ৰৱাত দৌলযাত্ৰা মহোৎসৱৰ পাতনি মেলিছিল আৰু সেই পৰম্পৰাকে আধাৰ হিচাপে লৈ অতীজৰে পৰা শ্ৰীশ্ৰী নৰোৱা কুজিসত্ৰত দৌলযাত্ৰা উৎসৱ উলহ-মালহেৰে উদযাপন কৰি অহা হৈছে। সেয়ে এনে ঐতিহ্যক সাৱোগত কৰিয়েই এইবেলিও সত্ৰখনত অহা ১৩ মাৰ্চৰ পৰা দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে দৌলযাত্ৰা উৎসৱৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি দুয়োদিনা সত্ৰৰ নিত্য-নৈমিত্তিক প্ৰসংগৰ লগতে গন্ধোৎসৱ, গোঁসাইৰ মূৰত ফাকু দিয়া, গোঁসাইক ফুৰোৱা, নাম-কীৰ্তন, খোল-প্ৰসংগ আদি অনুষ্ঠিত হ'ব বুলি সত্ৰখনৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱগোস্বামীয়ে জানিবলৈ দিছে।

# জোতেশ্বৰ শিৱ মন্দিৰৰ অধিবাস অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, মাৰ্ঘেৰিটা, ৪ মাৰ্চঃ** মাৰ্ঘেৰিটাৰ নগৰৰ মাজমজিয়াস্থিত নৱনিৰ্মিত জোতেশ্বৰ শিৱ মন্দিৰৰ অধিবাস অনুষ্ঠানৰ আজি শুভাৰম্ভ কৰা হয়। মন্দিৰৰ অধিবাস অনুষ্ঠান উপলক্ষে আজি সন্ধিয়া এক কলহ যাত্ৰা উলিওৱা হয়। শতাধিক শিৱভক্তই সমদল কৰি মাৰ্ঘেৰিটাৰ বুঢ়ীদিহিং নৈৰপৰা পানী আনি মন্দিৰ নিকাকৰণ কৰে। ইয়াৰ পিছতে সন্ধিয়া মন্দিৰত অধিবাস উপলক্ষে পূজা-অৰ্চনা কৰা হয়। ৭ ফেব্ৰুৱাৰীত মন্দিৰত মূৰ্তি স্থাপনৰ লগতে ধৰ্মীয় ৰীতি-নীতিৰে প্ৰাণপ্ৰতিষ্ঠা কৰা হ'ব। মন্দিৰ পৰিচালনা সমিতিয়ে উক্ত দিনা মাৰ্ঘেৰিটাবাসীক অনুষ্ঠানত উপস্থিত থাকিবৰ বাবে আহ্বান জনাইছে।

# স্বাস্থ্য কৰ্মীৰ ধৰ্ণাত উত্তাল বৰপেটা অসামৰিক চিকিৎসালয়

**ই-সংবাদ, কলগাছিয়া, ৪ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়াত অৱস্থিত বৰপেটা অসামৰিক চিকিৎসালয় প্ৰাংগণত মঙলবাৰে পুৱাৰ ভাগত সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থা চমুকৈ এন এইচ এম অসমৰ কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰাৰ লগতে কেইবাটাও দাবীৰ ভিত্তিত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। চিকিৎসালয়ৰ চৌহদত অৰ্ধশতাধিক এন এইচ এম কৰ্মচাৰীয়ে বিক্ষোভ প্ৰদৰ্শন কৰি ৪ তাৰিখৰপৰা ৬ তাৰিখলৈ তিনিদিনীয়া কৰ্মবিৰতি পালন কৰা হ'ব বুলি সন্থাৰ স্থানীয় সভাপতি ডঃ ৰফিকুল ইছলাম আৰু সম্পাদক ছাইদুল ইছলামে জানিবলৈ দিয়ে। কৰ্মবিৰতি চলি থকা সময়খিনিত চিকিৎসালয়খনৰ যাৱতীয় কাম-কাজৰপৰা বিৰত থাকিব এন এইচ এম কৰ্মচাৰীসকল। তেওঁলোকে এন এইচ এমৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলক স্থায়ী পদত নিযুক্তি দিয়ক, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ বাবে পেঞ্চনৰ ব্যৱস্থা কৰক, সমান কামৰ সমান মজুৰি আদায় দিয়ক, পে' স্কেল প্ৰদান কৰক, আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অধীনত প্ৰায় ২৪ হাজাৰ বিষয়া-কৰ্মচাৰী ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ বিভিন্ন পদত ২০০৬ চনৰপৰাই সেৱা আগবঢ়াই আহিছে যদিও নিম্নতম দৰমহাৰে পৰিয়াল পোহপাল দিয়াত অসুবিধাৰ সন্মুখীন হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ২০১৬ চনত স্বাস্থ্যমন্ত্ৰী হৈ থকা অৱস্থাত এন এইচ এম কৰ্মচাৰীৰ ঠিকাভিত্তিক চাকৰি নিয়মীয়াকৰণ কৰা হ'ব বুলি কৈছিল যদিও তেখেতৰ চৰকাৰ চলি থকা সময়তো চাকৰি নিয়মীয়াকৰণ নহ'ল বুলি ক্ষোভ উজাৰিছে কৰ্মচাৰীসকলে। তেওঁলোকৰ দাবী পূৰণ নহ'লে আগন্তুক দিনত ভয়াৱহভাৱে ৰাজ্যব্যাপী গণ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ প্ৰদান কৰে।



মাজুলীৰ শ্ৰীশ্ৰী এলেঙি নৰসিংহ সত্ৰৰ ২৮০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত মুকলি সভাৰ দৃশ্য

# সামাজিক দায়বদ্ধতা, নামৰূপৰ বিদ্যালয়ক ৫ লাখৰ সাহায্য এছবিআইৰ

**ই-সংবাদ, নামৰূপ, ৪ মাৰ্চঃ** ভাৰতীয় ষ্টেট বেংকৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত নামৰূপ শাখাই আজি নামৰূপ দিল্লী দোৱনীয়া প্ৰাথমিক বিদ্যালয়ত উন্নয়নমূলক কাৰ্য্যসূচী ৰূপায়ণ কৰে। নামৰূপ এছ বি আই শাখাই ইয়াৰ ওচৰতে থকা দিল্লী দোৱনীয়া প্ৰাথমিক বিদ্যালয়খনত পাঁচলাখ টকাৰ অনুদান প্ৰদান কৰে। উক্ত ধনৰাশিৰে বিদ্যালয়ত সম্পূৰ্ণ পানী সংযোগ মেৰামতি, তিনিটা বেচিন, টিনপাত ৰং কৰা, গে'টৰ ৰং কৰা, শ্ৰেণীকোঠাৰ পকী বেৰৰ ৰং কৰা, ১৬/৩০ ফুট দৈৰ্ঘ্যৰ আধুনিক চাইকেল ষ্টেণ্ড নিৰ্মাণ, অফিচ, ক্লাছ ৰুম আৰু পাকঘৰত ব্যৱহৃত সঁজুলি, দুখন সচিব-টেবুল আৰু দুখন চকী, এটা গেছ ষ্টোভ, তিনিটা কিতাপ থোৱা আলমীৰা, এটা ষ্টীল অলমিৰা, এটা পানী বিশুদ্ধক একুৱা গাৰ্ড, পাঁচখন চিলিংফেন প্ৰদান কৰে। ইয়াৰ ওপৰি মুখ্য প্ৰৱেশদ্বাৰ পকীকৰণ বিদ্যালয়ৰ শৌচাগাৰ মেৰামতিৰ লগতে বিদ্যালয়ৰ আন্তঃগাঁঠনি সম্পৰ্কীয় বিভিন্ন কাম কৰা হয়। আজি বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত সভাত বেংক কৰ্তৃপক্ষই ফিটাকাটি আনুষ্ঠানিকভাৱে বিদ্যালয় পৰিচালনা সমিতি আৰু প্ৰধান শিক্ষকক সামগ্ৰীসমূহ হস্তান্তৰ কৰে। আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে ভাৰতীয় ষ্টেট বেংক নেটৱৰ্ক-১ উত্তৰ-পূব মণ্ডলৰ মহাপ্ৰৱন্ধক অমৰেশ কুমাৰ ঝা, প্ৰশাসনিক কাৰ্য্যালয়ৰ উপ-মহাপ্ৰৱন্ধক অমিত কুমাৰ, আঞ্চলিক প্ৰৱন্ধক প্ৰশান্ত কুমাৰ শৰ্মা, নামৰূপ শাখাৰ মহাপ্ৰৱন্ধক প্ৰাণদ্বীপ পাল, বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী নয়নমনি গগৈ, পৰিচালনা সমিতিৰ সভাপতি আব্দুল কৰিম শেখ আদি।

# ৰোহিতক 'শকত' বুলি কৈ বিপদত কংগ্ৰেছ নেত্ৰী

**নতুন দিল্লী, ৪ মাৰ্চঃ** কংগ্ৰেছৰ মুখপাত্ৰ শ্বামা মহম্মদে ৰোহিত শৰ্মাক 'শকত' আখ্যা দিয়াক লৈ অব্যাহত আছে সমালোচনাৰ জোৱাৰ। ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়কগৰাকীক শৰীৰক উপহাস কৰি তেওঁ ছ'চিয়েল মিডিয়াত ধুমুহাৰ সৃষ্টি কৰিছিল। তেওঁ টুইট কৰি কয় যে খেলুৱৈ হিচাপে ৰোহিত শৰ্মা যথেষ্ট শকত। তেওঁৰ ওজন কমাব লাগে। কেৱল সেয়াই নহয়, ভাৰতীয় অধিনায়কসকলৰ ভিতৰত তেওঁক 'সৰ্বাধিক অপ্ৰভাৱশালী' বুলিও অভিহিত কৰে কংগ্ৰেছ নেত্ৰীগৰাকীয়ে। এই মন্তব্যৰ পিছতে চৌদিশৰ পৰা সমালোচনাৰ সন্মুখীন হয় শ্বামা মহম্মদ। বিজেপিয়ে তেওঁৰ এই মন্তব্যৰ বিৰোধিতা কৰাৰ সমান্তৰালভাৱে কংগ্ৰেছেও এয়া অগ্ৰহণযোগ্য বুলি শ্বামাৰ মন্তব্যৰ পৰা ফালৰি কাটে। যাৰ পৰিণামস্বৰূপে কিছু সময়ৰ পিছতে এই টুইট ডিলিট কৰিবলৈ বাধ্য হয় শ্বামাই। ইয়াৰ পিছত শ্বামাই স্পষ্ট কৰি দিয়ে যে এয়া ব্যক্তিগত আক্ৰমণ নহয় আৰু ইয়াৰ ৰাজনীতিৰ লগত কোনো সম্পৰ্ক নাই। কিন্তু কংগ্ৰেছে স্পষ্ট কৰি দিছে যে তেওঁলোকে এই বক্তব্যৰ সৈতে একমত নহয়। এই বিতৰ্কক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াই। তেওঁ এই মন্তব্যক দুৰ্ভাগ্যজনক বুলি অভিহিত কৰে। আম আদমি পাৰ্টিৰ ৰাজ্যসভাৰ সাংসদ হৰভজন সিঙেও গৰিহণা দিয়ে শ্বামাৰ এই মন্তব্যক। অৱশ্যে তৃণমূলৰ সাংসদ সৌগত ৰায়ে এই বিতৰ্কত এক নতুন মাত্ৰা সংযোজন কৰিছে। তেওঁৰ দাবী যে শ্বামা মহম্মদে যি কৈছে সেয়া সম্পূৰ্ণ ভুল নহয়। শেহতীয়াকৈ ৰোহিতৰ প্ৰদৰ্শনক লৈ প্ৰশ্ন উত্থাপন কৰি তেওঁ কয় যে যদি তেওঁ এই ফৰ্মত থাকে তেন্তে তেওঁ নিজৰ দলত স্থান লাভ কৰা উচিত নহয়। ক্ৰমবৰ্ধমান বিতৰ্কৰ মাজতো ৰোহিত শৰ্মাই এই বিষয়ত এতিয়াও কোনো প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাই।




চেম্পিয়নছ ট্ৰফীৰ ছেমিফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে আপাৰ কাট অক্ষৰ পেটেলৰ




ডুবাইত অনুষ্ঠিত চেম্পিয়নছ ট্ৰফীৰ ছেমিফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে এটা দৰ্শনীয় শ্বট বিৰাট কোহলিৰ

## কোহলি-ছামীৰ দুৰ্দান্ত প্ৰদৰ্শনেৰে ছেমিতো অপ্ৰতিৰোধ্য টীম ইণ্ডিয়া

# অষ্ট্ৰেলিয়াক পৰাভূত কৰি চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত ভাৰত

**ডুবাই, ৪ মাৰ্চঃ** বিৰাট কোহলিৰ ৮৪ ৰানৰ দৰ্শনীয় ইনিংছৰ সহায়ত অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতে। মঙলবাৰে ডুবাইত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ৰোহিত শৰ্মাৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে ২৬৫ ৰানৰ লক্ষ্যৰ পিছা কৰি ৪৮.১ অভাৰতে বিজয় লক্ষ্যত উপনীত হয়। ছেমি ফাইনেলৰ এই খেলখনত শুভমন গিল ব্যৰ্থ হ'লেও শ্ৰেয়াছ আয়াৰৰ ৪৫ ৰান, কে এল ৰাহুলৰ অপৰাজিত ৪২ ৰান আৰু হাৰ্দিক পাণ্ডিয়াৰ ২৮ ৰানৰ ইনিংছে ভাৰতৰ জয় সহজ কৰি তোলে। খেলখনত টছত জয়লাভ কৰি অষ্ট্ৰেলিয়াই প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। কিন্তু ভাৰতীয় বলাৰৰ আধিপত্যৰ বাবে তেওঁলোকে ২৬৪ ৰানতে ইনিংছ সামৰিবলগীয়াত পৰে। ষ্টীভ স্মিথে ৯৬টা বলত ৭৩ ৰান সংগ্ৰহ কৰি দলৰ স্ক'ৰত সৰ্বাধিক অৰিহণা যোগায়। ইয়াৰোপৰি এলেক্স কেৰীয়ে ৬১ ৰান আৰু ট্ৰেভিছ হেডে ৩৯ ৰান দলৰ হৈ সংগ্ৰহ কৰে। আজিৰ এই খেলখনত অ'পনাৰ কুপাৰ কনলীয়ে খাটা নোখোলাকৈয়ে পেভিলিয়নমুখী হয়। ভাৰতৰ হৈ মহম্মদ ছামীয়ে ১০ অভাৰত ৪৮ ৰান দি ৩ উইকেট দখল কৰে। তদুপৰি বৰুণ চক্ৰৱৰ্তী আৰু ৰবীন্দ্ৰ জাডেজাই ২টাকৈ উইকেট দখল কৰাৰ বিপৰীতে হাৰ্দিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলে ১টাকৈ উইকেট লাভ কৰে। ২৬৫ ৰানৰ লক্ষ্য সন্মুখত নামি ক্ৰিজত নমা ভাৰতে দলীয় স্ক'ৰ ৩০ ৰানত প্ৰথম উইকেটৰূপে শুভমন গিলক হেৰুৱায়। ইয়াৰ পিছতে দলৰ ৪৩ ৰানত ২৮ ৰান কৰি পেভিলিয়নমুখী হয় কেপ্টেইন ৰোহিত শৰ্মাও। ক্ৰিজত নামি বিৰাট কোহলিয়ে লাহে লাহে স্ক'ৰ আগবঢ়াই নিয়ে। সেই সময়ত কোহলিক সহযোগ কৰে শ্ৰেয়ছ আয়াৰেও। ৪৫ ৰান কৰি শ্ৰেয়ছ পেভিলিয়নলৈ ওভতাৰ পিছত দলৰ দায়িত্ব কোহলিৰ সৈতে ভাগ কৰি ক্ৰিজত প্ৰদৰ্শন আগবঢ়ায় অক্ষৰ পেটেল আৰু কে এল ৰাহুলে। ভাৰতীয় দলৰ উইকেট কীপাৰ ৰাহুলে অপৰাজিতভাৱে ৪২ ৰানৰ ইনিংছেৰে দলক শেষ পৰ্যায়ত বিজয় লক্ষ্যত উপনীত কৰোৱায়। এই জয়েৰে এতিয়া ফাইনেলত নিজৰ স্থান সুৰক্ষিত কৰিছে ভাৰতে। ইফালে দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন ছেমিফাইনেলৰ বিজয়ী দলৰ সৈতে ফাইনেলত খিতাপৰ বাবে যুঁজ দিব ভাৰতে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি